# Course 507

ব্লক - 1

# সম্প্ৰদায় আৰু বিদ্যালয়

গোট - 2



টোকা

## গোট - 2 ঃ সম্প্ৰদায় আৰু বিদ্যালয়

## গাঁথনি


2.0 পাতনি

2.1 শিকনৰ উদ্দেশ্য

2.2 সমাজ বনাম সম্প্ৰদায়

2.3 প্ৰাথমিক শিক্ষাৰ প্ৰসংগত সম্প্ৰদায়

2.4 সম্প্ৰদায় আৰু বিদ্যালয়ৰ সম্পৰ্ক

2.4.1 ছাত্ৰ-ছাত্ৰীৰ ভাৰাৰ বিকাশৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ প্ৰভাৱ

2.4.2 ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ প্ৰভাৱ

2.4.3 ছাত্ৰ-ছাত্ৰীৰ জীৱন কৌশল বিকাশৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ প্ৰভাৱ

2.5. গোটৰ সাৰাংশ

2.6 স্ব-মূল্যায়নৰ প্ৰশ্ন

2.7 পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিক পুথি

2.8 গোটৰ অনুশীলনী


## 1.0 পাতনি

আগৰ গোটত আপোনালোকে সমাজৰ বিষয়ে আৰু ভাৰতীয় সমাজৰ বিভিন্নতা সম্পৰ্কে ইতিমধ্যে জানিছে। এই গোটটোত আপোনালোকে সম্প্ৰদায়ৰ অৰ্থ সম্প্ৰদায়ৰ বিভিন্নজনৰ সাধাৰণ সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা, লোক সংস্কৃতি, মাধ্যম হিচাপে ভাষা, জীৱন কৌশল, বিদ্যালয় শিশুৰ শিকনৰ প্ৰভাৱ আদি ক্ষেত্ৰত কিছু আভাষ দিয়াৰ চেষ্টা কৰা হৈছে।

সম্প্ৰদায়ৰ লগত বিদ্যালয়ৰ সম্পৰ্কই বিদ্যালয় শিক্ষাত প্ৰভাৱ পেলাইছে। সম্প্ৰদায়টোৰ আশা, আকাংক্ষা আৰু প্ৰয়োজন বিদ্যালয়ে পূৰ কৰিবলৈ চেষ্টা কৰে। গতিকে বিদ্যালয় ভাল হ'বৰ বাবে সম্প্ৰদায়ৰ দৰকাৰ আৰু সম্প্ৰদায় ভাল হ'বৰ বাবেও বিদ্যালয় দৰকাৰ।

## 2.1 শিকনৰ উদ্দেশ্য ঃ

গোটেই গোটটোৰ আলোচনাৰ পিছত আপোনালোকে তলৰ কথাখিনি জানিবলৈ সক্ষম হ'ব।

- সম্প্ৰদায় হ'ল এক ক্ষুদ্ৰ সমাজ।
- প্ৰাথমিক শিক্ষাৰ প্ৰসংগত সম্প্ৰদায়ৰ ভূমিকা।
- সম্প্ৰদায় আৰু বিদ্যালয়ৰ সম্পৰ্কৰ ব্যাখ্যা।
- ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ বিকাশৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ ভূমিকা।
- ছাত্ৰ-ছাত্ৰীৰ সংস্কৃতিৰ বিকাশত সম্প্ৰদায়ৰ ভূমিকা।
- ছাত্ৰ-ছাত্ৰীৰ জীৱনকৌশল আয়ত্বকৰণত সম্প্ৰদায়ৰ ভূমিকা।



টোকা

## 2.2 সমাজ বনাম সম্প্ৰদায়



সম্প্ৰদায় সম্পৰ্কে বোধ হোৱাৰ আগতে সম্প্ৰদায়ৰ অৰ্থ জনাটো আৱশ্যক। সাধাৰণ অৰ্থত সম্প্ৰদায় হ'ল মানুহৰ আন্তঃনিৰ্ভৰশীলতা থকা এটা গোট য'ত সাধাৰণ ৰুচি, সাধাৰণ পৰম্পৰা আৰু সম্প্ৰদায়টোৰ উন্নতিৰ বাবে কিছুমান নিজস্ব নীতি নিয়ম মানি চলা হয়।

এৰিষ্টটলে সম্প্ৰদায়ৰ সংজ্ঞা এনেকৈ দিছিল যে সম্প্ৰদায় হ'ল এটা দল য'ত বিভিন্ন মানুহৰ গুণবোৰ সন্নিবিষ্ট হৈ থাকে। বিভিন্ন ধৰণৰ সম্প্ৰদায় পোৱা যায়। যেনে - প্ৰথম হ'ল- ভৌগোলিক সম্প্ৰদায়- মানুহৰ স্থান অনুসৰি ইয়াৰ সংজ্ঞা দিয়া হয়, যেনে - গাঁও বা জিলা। দ্বিতীয় হ'ল জনগোষ্ঠীয়, জাতিগত আৰু ধাৰ্মিক সম্প্ৰদায় য'ত মানুহবোৰে জনগোষ্ঠী, জাতি আৰু ধৰ্ম অনুসৰি সংগঠিত হৈ থাকে। তৃতীয় হ'ল শিক্ষা সম্পৰ্কীয় বা পৰিয়াল সম্পৰ্কীয়। যেনে ঃ অভিভাৱক সন্থা য'ত বিভিন্ন বা একেজাতীয় পৰিয়ালৰ সদস্যই মিলিত হয় আৰু নিজৰ সন্তানৰ উন্নতিৰ কথা চিন্তা কৰে।



টোকা



জীৱ বিজ্ঞান মতে সম্প্ৰদায় হ'ল জীৱৰ এটা দল য'ত নিজস্ব পৰিৱেশত পৰস্পৰে যোগাযোগ আৰু সম্পৰ্ক বজাই ৰাখে।

ইণ্টাৰনেটৰ আবিৰ্ভাৱ হোৱাৰে পৰা ভৌগোলিক সম্প্ৰদায় অৰ্থহীন হৈছে। কাৰণ ইণ্টাৰনেটৰ সহায়ত বিভিন্ন সম্প্ৰদায়ৰ বিভিন্ন মানুহে ৰাজহুৱা স্বাৰ্থৰ সকলো কথাত অংশ ল'ব পাৰে। মুঠৰ ওপৰত সম্প্ৰদায় হ'ল নিজস্ব বিকাশৰ বাবে প্ৰত্যেকে প্ৰত্যেকৰ লগত জ্ঞানৰ বাৰ্তালাপ কৰা এটা দল।

পৰিয়ালতকৈ সম্প্ৰদায় যিহেতু এটা সমাজৰ ডাঙৰ গোট সেয়ে সম্প্ৰদায়ে পৰিয়াল কাৰ্য ত্বৰান্বিত কৰে। ঘৰৰ দৰে সম্প্ৰদায়েও সুষমভাৱে শিশুৰ বিকাশৰ বাবে শিক্ষামূলক প্ৰতিষ্ঠান স্থাপন আৰু বিকাশ কৰাত মুখ্য ভূমিকা পালন কৰে। স্বাভাৱিকতে সম্প্ৰদায়ে পৰিয়ালতকৈ বেছিকৈ আৰু সমাজত তুলনাত কমকৈ কৰ্ম কৰা দেখা যায়।

স্থানীয় সম্প্ৰদায়বোৰৰ মাজত বিভিন্নতা দেখা পাইছেনে? যদি পাইছে কিয়?

স্থানীয় সম্প্ৰদায়বোৰৰ মাজত বিভিন্নতা দেখা পোৱা কাৰণবোৰ হ'ল—

(ক) জনসংখ্যা (গাঁৱলীয়া সম্প্ৰদায়, চহৰীয়া সম্প্ৰদায়, মহানগৰ সম্প্ৰদায় আদি), (খ) ভাষিক, (গ) ধাৰ্মিক, (ঘ) সামাজিক গাঁথনি (ঙ) নিৰ্দিষ্ট জনগণৰ আৰ্থিক আৰু সাংস্কৃতিক অৱস্থা। ভাৰতবৰ্ষত জাতি, ধৰ্ম, ভাষা আদিৰ ওপৰত নিৰ্ভৰ কৰি গাঁওবোৰত সম্প্ৰদায় গঠিত হয়। কিন্তু চহৰত আৰ্থ সামাজিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি সম্প্ৰদায় গঠিত হয়।

উচ্চ আৰ্থ-সামাজিক অৱস্থা থকা শ্ৰেণীয়ে সাধাৰণতে শিক্ষাৰ ক্ষেত্ৰত সচেতন হয় আৰু তেওঁলোকে ভাল শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। তেওঁলোকে সন্তানক সকলো ধৰণৰ শিক্ষামূলক সুবিধা, ঘৰ আৰু বিদ্যালয় উভয়তে দিব পাৰে। আনহাতে আৰ্থিকভাৱে পিছপৰা জনজাতি সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকৰ সন্তানক এনেবোৰ সুবিধা প্ৰদান কৰিব নোৱাৰে।

আমি জানো যে বিভিন্ন সম্প্ৰদায়ৰ মাজত সামাজিক দিশবোৰৰ মাজত আলোচনা হয় আৰু এই আলোচনাই সম্প্ৰদায়ৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰে। সম্প্ৰদায়ৰ বিভিন্ন লোকৰ আলোচনা/সমালোচনাৰ জৰিয়তে সম্প্ৰদায়ৰ প্ৰকৃতি নিৰ্ণয় হয়। সম্প্ৰদায়ৰ লোকসকলৰ মাজত যিমান মুক্ত আলোচনা হ'ব সিমানেই সম্প্ৰদায়টোৰ উন্নতি হয়।

**সম্প্ৰদায়ক কেনেকৈ বুজিব পাৰি—**

- সম্প্ৰদায় এটাক জানিবলৈ হ'লে তেওঁলোকৰ মাজত সোমাই তেওঁলোকৰ লগত আলোচনা কৰিব লাগিব যাতে আমি তেওঁলোকৰ সংস্কৃতি আৰু তেওঁলোকৰ পৰম্পৰা পৰস্পৰৰ আলোচনাৰ জৰিয়তে বুজিব পাৰো।
- স্থানীয় সংস্কৃতি, ভাষা আৰু পৰম্পৰাৰ প্ৰতি মুক্ত মন দেখুৱাব লাগিব।
- নিজকে সম্প্ৰদায়ৰ উৎসৱ-পাৰ্বনত সংলগ্ন কৰিব লাগিব।



টোকা

- উৎসৱ পাৰ্বনৰ সময়ত সম্প্ৰদায়ৰ নেতাসকলৰ লগত আলোচনা কৰি বিভিন্ন তথ্য আহৰণ কৰিব লাগিব।

তাৰোপৰি সম্প্ৰদায়ক বুজিবলৈ কিছুমান অন্য উপায়ো আছে। যেনে ঃ বিয়া, উৎসৱ, ধাৰ্মিক কৰ্ম আদিত উপস্থিত থাকি তেওঁলোকৰ সামাজিক, সাংস্কৃতিক দিশ জীৱন শৈলী, ৰীতি-নীতি আৰু পৰম্পৰা সম্পৰ্কে আমি বুজ ল'ব পাৰো।

এইদৰে আমি ক'ব পাৰো যে সম্প্ৰদায়ক বুজিলেহে বিদ্যালয়ত সম্প্ৰদায়ৰ লোকসকলক জড়িত কৰণ কৰিব পাৰিম। সম্প্ৰদায়ত থকা বিভিন্নতাৰ জৰিয়তে আমি সম্প্ৰদায়ৰ চৰিত্ৰ আৰু বিশেষ প্ৰাসংগিকতা সাপেক্ষে কোনটো সম্প্ৰদায়ক আমি জড়িত কৰিব পাৰো তাৰ আভাষ পাওঁ। কোনো সম্প্ৰদায়, দল আৰু পৰিয়াল একক চৰিত্ৰৰ হ'ব নোৱাৰে। সেইবাবে সম্প্ৰদায়ৰ বৈশিষ্ট্য আৰু ক্ষমতাসমূহ বিতংভাৱে পৰীক্ষা কৰা দৰকাৰ যাৰ সহায়ত আমি সম্প্ৰদায়ক বুজিব পাৰো। সামাজিক কৰ্মসমূহত সম্প্ৰদায়ৰ জড়িতকৰণৰ হাৰো আমি পৰীক্ষা কৰিব লাগে। দেখা যায় যে কিছুমান সম্প্ৰদায় পৰম্পৰাগতভাৱে সামাজিক কৰ্মত জড়িত হয় আৰু আন কিছুমান নহয়।

**স্ব-মূল্যায়নৰ প্ৰশ্ন ঃ**

(1) সম্প্ৰদায় বুলিলে কি বুজা? সম্প্ৰদায়ক বুজিবলৈ দুটা কৌশল উল্লেখ কৰক।

.........................................................................................................

.........................................................................................................

.........................................................................................................

## 2.3 প্ৰাথমিক শিক্ষাৰ প্ৰসংগত সম্প্ৰদায় ঃ

আমি ইতিমধ্যে জানিছো যে সম্প্ৰদায়ে সামাজিক গুণ, কৃষ্টি, পৰম্পৰা ধৰ্ম, ভাষা আৰু বিশ্বাস আদি সম্প্ৰদায়টোত বৰ্তাই ৰখাত আৰু ত্বৰান্বিত কৰাত সহায় কৰে। ইয়াৰ উপৰি সম্প্ৰদায়ে শিশু শিক্ষাৰ উন্নতি কৰাতো সহায় কৰে। অভিভাৱক, পিতৃ-মাতৃ, পৰিয়ালৰ অন্য সদস্য, ওচৰ চুবুৰীয়া আৰু বিদ্যালয়ৰ কাষৰ বাসিন্দা আদি লগ লাগি সম্প্ৰদায়ৰ গঠন হয়। ডেলৰ কমিচন (1996)ৰ পৰামৰ্শ অনুযায়ী শিক্ষাৰ সংস্কাৰ অনাৰ ক্ষেত্ৰত মূল বাহক হ'ল বিদ্যালয়ৰ লগত সংলগ্ন সম্প্ৰদায় য'ত পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক, প্ৰধান শিক্ষক আদি সম্প্ৰদায়ৰ সদস্য হিচাবে থাকে। যিবোৰ দেশত শিক্ষাৰ সংস্কাৰক প্ৰক্ৰিয়া কৃতকাৰ্য হৈছে তাত সংশ্লিষ্ট সম্প্ৰদায়ে আৰ্থিক, কাৰিকৰী যোগাযোগৰ জৰিয়তে সুস্থিৰ চিন্তাৰে নিজস্ব বিদ্যালয় তথা চৰকাৰক সহায় কৰিছে। এইটো স্পষ্ট যে স্থানীয় সম্প্ৰদায়ে শিক্ষাৰ সংস্কাৰ ক্ষিপ্ৰ কৰাত এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে।

**সম্প্ৰদায়ৰ বৈশিষ্ট্যই কি ধৰণে শিক্ষাক প্ৰভাৱিত কৰে-**

সম্প্ৰদায়ৰ গাঁথনিক আৰু কাৰ্যকৰী বৈশিষ্ট্যই সম্প্ৰদায়টোৰ শিশুসকলৰ গুণগত শিক্ষাৰ মান নিৰ্ণয় কৰে। সম্প্ৰদায়ত থকা কাৰকসমূহে শিক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধক বা সহায়ক হিচাপে কাম কৰে। সম্প্ৰদায়ৰ এই কাৰকসমূহে বিদ্যালয় শিক্ষাৰ সঠিক পৰিকল্পনা আৰু প্ৰয়োগ কৰাত যথেষ্ট সহায় কৰে আৰু অন্যহাতে সম্প্ৰদায়ৰ বিকাশৰ ক্ষেত্ৰটো পৰোক্ষভাৱে ভূমিকা পালন কৰে। শিক্ষাক প্ৰভাৱান্বিত কৰা সম্প্ৰদায়ৰ গাঁথনিক আৰু কাৰ্যকৰী কিছুমান বৈশিষ্ট্য হ'ল- সামাজিক জনগাঁথনি আৰু জাতি, বৃত্তিমূলক ব্যৱস্থা, বিশ্বাস, ৰীতি-নীতি আৰু পৰম্পৰা, লিংগৰ ভূমিকা, পিছপৰা আৰু ভিন্ন ধৰণে সামৰ্থ্য শিশুসকলৰ শিক্ষাৰ প্ৰতি সম্প্ৰদায়ৰ লোকসকলৰ দৃষ্টিভংগী আৰু সম্প্ৰদায়ত সিদ্ধান্ত লোৱাৰ ব্যৱস্থা।

শিক্ষা ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে বিদ্যালয় শিক্ষাত শিথিলতা অনাৰ ব্যৱস্থা কৰা হৈছে যেনে - বিদ্যালয়ৰ পাঠদান সময়, কেলেণ্ডাৰৰ সময় আদি স্থানীয় আৰ্থ-সামাজিক ব্যৱস্থা অনুসৰি কৰা হৈছে। শিক্ষা আয়োগ (1964-66) ৰ সময়ৰ পৰা সম্প্ৰদায় জড়িতকৰণ কৰি আৰু স্থানীয়ভাৱে পৰিকল্পনা কৰি বিদ্যালয় শিক্ষাৰ বিকাশ কৰাৰ প্ৰয়াস কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি (1986), কৰ্ম আঁচনি (1902), 73তম আৰু 74তম সংবিধান সংশোধন ব্যৱস্থায়েও বিদ্যালয় শিক্ষাক সম্প্ৰদায় জড়িত কৰণ সম্পৰ্কে আলোকপাত কৰিছে।

স্বৰাজোত্তৰ কালৰে পৰা আমাৰ দেশত প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণ এটা মুখ্য কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে। এই ক্ষেত্ৰত সম্প্ৰদায় জড়িতকৰণৰ জৰিয়তে আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰো।

যদি আমি স্থানীয় লোকৰ অংশগ্ৰহণ নিশ্চিত কৰিব খোজো, তেন্তে আমি স্থানীয় লোকক জানিব লাগিব। তেওঁলোকৰ লগত সম্পৰ্ক স্থাপন কৰিব লাগিব, বিদ্যালয়ৰ অৱস্থা, পৰিৱেশ আৰু প্ৰয়োজনীয় সকলো কথা তেওঁলোকৰ লগত আলোচনা কৰিব লাগিব। এই ক্ষেত্ৰত এটা উদাহৰণ হ'ল ৰাজস্থানত 'ফিলিং দা ভেকুৱাম' প্ৰকল্পৰ জৰিয়তে শিক্ষাকৰ্মীসকলে বিদ্যালয়ত শিক্ষকৰ নিয়মীয়া অনুপস্থিতি দূৰীকৰণ কৰা ব্যৱস্থা।

'শিক্ষাকৰ্মী প্ৰকল্প' (SKP) এটা এনেকুৱা এটা ব্যৱস্থা য'ত পিছ পৰা অঞ্চলৰ বিদ্যালয়ত শিক্ষকৰ নিয়মীয়া অনুপস্থিতি বিচাৰ কৰা হয় আৰু বাচনি কৰা দুজন সাধাৰণ গঞাক অনিয়মীয়া শিক্ষকৰ সলনি বিদ্যালয়ত পাঠদান কৰাৰ বাবে অনুমতি প্ৰদান কৰা হয়। এই ব্যৱস্থাই গঞা ৰাইজৰ প্ৰতিভাৰ ওপৰত বাৰুকৈয়ে বিশ্বাস জন্মাইছিল। সাধাৰণ গঞাৰ অৰ্থ হ'ল বাচনিযুক্ত শিক্ষক মহিলা হ'লে পঞ্চম শ্ৰেণীলৈ আৰু পুৰুষ হ'লে অষ্টম শ্ৰেণীলৈ পঢ়া হ'ব লাগিব। শিক্ষাকৰ্মীসকলৰ ফলপ্ৰসূ শিক্ষণ-শিকন পদ্ধতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈছে আৰু পিতৃ-মাতৃ আৰু সম্প্ৰদায়ৰ চকুত বিদ্যালয়খন এটা ইতিবাচক শিক্ষাস্থল হিচাবে পৰিগণিত হৈছে। অন্য এটা উদ্ভাৱনীমূলক প্ৰকল্প হ'ল বয়সিয়াল মহিলাসকলৰ জৰিয়তে পিছপৰা অঞ্চলৰ ল'ৰা-ছোৱালীক বিদ্যালয়মুখী কৰাৰ লগতে শিশুসকলৰ যত্ন লৈ তেওঁলোকক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰা। এই ব্যৱস্থাৰ



টোকা

দ্বাৰা এটা সময়ত খালী হৈ থকা বিদ্যালয় ঘৰ ছাত্ৰ-ছাত্ৰীৰে পৰিপূৰ্ণ হৈছিল। এইক্ষেত্ৰত বিদ্যালয়ত সকলো শিশুৰ শিক্ষা নিশ্চিত কৰিবলৈ সম্প্ৰদায়ৰ প্ৰতিজনৰে সহায়, সহযোগিতা, সমন্বয় আদি দৰকাৰ যিটো এক প্ৰত্যাহ্বান হিচাপে থিয় দিছে।

সম্প্ৰদায় জড়িতকৰণৰ অন্য এটা উদাহৰণ হ'ল 'প্ৰ'পেল প্ৰকল্প'। এইটো এটা কাৰ্যভিত্তিক গৱেষণা প্ৰকাশ য'ত গাঁৱৰ সম্প্ৰদায়ে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ আৰ্হি প্ৰস্তুত কৰাৰ বাবে তেওঁলোকক আগবঢ়াই দিয়া হয়। এই গৱেষণাৰ আটাইতকৈ মূল্যৱান কথাটো হ'ল বিদ্যালয়খনক ভাল কৰা আৰু নিয়ন্ত্ৰণ কৰাৰ বাবে সংশ্লিষ্ট গাঁৱৰ মানুহক দায়িত্ব অৰ্পণ কৰা। এইদৰে বিদ্যালয়খনৰ উন্নতি হোৱা বা অধোন্নতি হোৱা দুয়োটা কথাই গাঁওবাসীৰ ওপৰতে নিৰ্ভৰ হৈছে আৰু কৃতজ্ঞতাও গাঁওবাসীয়ে পায়।





**লোক জুম্বিশ ঃ** এইটো ৰাজস্থানৰ প্ৰকল্প। ৰাজস্থানত ৰাজপুত সম্বন্ধীয় বুৰঞ্জীয়ে যদিওবা পৰ্যটক আকৰ্ষণ কৰে কিন্তু পৰম্পৰা অনুযায়ী তাৰ সমাজে মহিলাসকলক উৎসাহিত নকৰে আৰু ঘৰৰ বাহিৰলৈ নপঠায়। এই প্ৰকল্পৰ জৰিয়তে মানুহৰ দ্বাৰা মানুহৰ কাৰণে এটা শিক্ষাৰ পৰিৱেশ গঠন কৰা হয় য'ত মানুহৰ দক্ষতা আৰু জ্ঞান প্ৰণালীবদ্ধভাৱে ব্যৱহাৰ কৰা হয়। এয়া হ'ল প্ৰকল্পটোৰ মূল কৃতকাৰ্যতা। শিশুৰ গুণগত শিক্ষা আহৰণৰ ক্ষেত্ৰত শিক্ষকৰ সম্পূৰ্ণ জড়িতকৰণ এই প্ৰকল্পৰ এক উল্লেখনীয় দিশ।

সৰ্বশিক্ষা অভিযান মিছনেও বিকেন্দ্ৰীকৰণৰ জৰিয়তে বিদ্যালয়ক সংশ্লিষ্ট সম্প্ৰদায়ে নিজৰ বুলি ভবাৰ পৰিৱেশ সৃষ্টি কৰিছে। চুবুৰী অনুযায়ী বিদ্যালয়ৰ কাৰ্য নিৰীক্ষা কৰাৰ বাবে সম্প্ৰদায় ভিত্তিক কাৰ্যৰ পৰিকল্পনা কৰা হৈছে। বিদ্যালয়ৰ প্ৰতিটো কাৰ্যসূচীত সম্প্ৰদায়ক জড়িত কৰাৰ ব্যৱস্থা কৰা হৈছে যাতে বিদ্যালয় এখন সামাজিক অনুষ্ঠান হিচাপে গঢ় লৈ উঠে। ইয়াৰ জৰিয়তে সম্প্ৰদায়ৰ ইতিবাচক অনুভৱ আৰু ইতিবাচক দৃষ্টিভংগীৰ বিকাশ হৈছে। এইখন আমাৰ বিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীবোৰ আমাৰ এই ধৰণৰ এটা অভিভাৱকত্বৰ অনুভৱৰ সৃষ্টি হৈছে।



টোকা

**সম্প্ৰদায়ে বিদ্যালয়খন নিজৰ বুলি ভবাৰ বিভিন্ন সূচকসমূহ হ'ল ঃ**

- দিয়া আৰু লোৱা- এই সম্পৰ্কই বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত সৃষ্টি কৰা বান্ধোন।
- জৰুৰী অৱস্থাত সম্প্ৰদায়ে বিদ্যালয়ৰ যত্ন লৈ বিদ্যালয় ঠিক কৰা।
- বিদ্যালয়ৰ সকলো কাৰ্যত সম্প্ৰদায়ৰ লোক জড়িত হোৱা।
- বিদ্যালয়ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত গাঁওবাসী জড়িত হোৱা আৰু পৰিমাণ বা গুণগত দিশত বিদ্যালয়ক সৰ্বদিশত সহায় কৰা।

প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাটো এক প্ৰাসংগিক কথা। এই প্ৰাসংগিকতা নিৰ্ভৰ কৰে দেশৰ বিভিন্ন ঠাইৰ সম্প্ৰদায়ৰ বৈশিষ্ট্যৰ ওপৰত।

**স্ব-মূল্যায়নৰ প্ৰশ্ন ঃ 2**

1. সৰ্বশিক্ষা অভিযানৰ উদাহৰণ সাপেক্ষে বিদ্যালয়ক সম্প্ৰদায়ে নিজৰ বুলি ভবাৰ কথা ব্যাখ্যা কৰা।

.............................................................................................................

.............................................................................................................

.............................................................................................................

## 2.4 সম্প্ৰদায় আৰু বিদ্যালয়ৰ সম্পৰ্ক ঃ

শিক্ষাত সামাজিক প্ৰসংগ থাকিবই আৰু দেখা যায় যে স্থানীয় সম্প্ৰদায়ে শিক্ষা ব্যৱস্থাৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মানুহৰ প্ৰকৃতি অনুসৰি আমাৰ দেশত বিভিন্ন সম্প্ৰদায় আছে আৰু সম্প্ৰদায়ৰ প্ৰয়োজনীয়তা অনুযায়ী শিক্ষাৰ প্ৰয়োজনীয়তাও ভিন্ন হোৱা দেখা যায়।

**সম্প্ৰদায়ৰ গঠন ঃ**

সম্প্ৰদায়ৰ গাঁথনিক ৰূপে শিক্ষাৰ ৰূপৰেখা নিৰূপণ কৰে। সম্প্ৰদায়ত থকা বিভিন্ন বৈশিষ্ট্যৰ জনসংখ্যা যেনে ভিন্ন জাতি, ভিন্ন ভাষা, ভিন্ন ধৰ্ম, ভিন্ন জনগোষ্ঠী আদিয়ে শিক্ষা ব্যৱস্থাৰ কাৰ্যকৰীকৰণত প্ৰত্যাহ্বান জনায়। অন্যহাতে সম্প্ৰদায়ৰ এই বিভিন্নতাৰ মাজত থকা পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতাই শিক্ষা ব্যৱস্থাৰ উন্নতিও সাধন কৰিব পাৰে। উচ্চ জাতি বা উচ্চ আৰ্থ-সামাজিক ব্যৱস্থাই নিম্ন জাতি বা দুখীয়া মানুহক শিক্ষা ব্যৱস্থাৰ পৰা দূৰতো ৰাখিব পাৰে। উচ্চ জাতি আৰু ধনী মানুহৰ সংখ্যালঘু বা পিছপৰা বা জনগোষ্ঠীয় লোকৰ প্ৰতি থকা দৃষ্টিভংগীয়ে নিম্নজাতি বা দুখীয়া লোকৰ শিক্ষা ব্যৱস্থাত সংলগ্ন হোৱাতো ভালেখিনি নিৰ্ভৰ কৰে। সম্প্ৰদায়ত প্ৰচলিত ভাষাই বিদ্যালয়ত শিক্ষণ-শিকন প্ৰক্ৰিয়াত বাৰুকৈয়ে প্ৰভাৱ পেলায়।

**বৃত্তিগত আৰু অৰ্থনৈতিক কাৰক ঃ**



টোকা

দৰিদ্ৰতা জীয়াই থকাৰ এক প্ৰত্যাহ্বান যিয়ে বহু দৰিদ্ৰ শিক্ষক শিক্ষালাভৰ পৰা বঞ্চিত কৰি ৰাখে। জীয়াই থকাৰ তাগিদাত দৰিদ্ৰ অভিভাৱকে শিশুক বিদ্যালয়ত যোৱাৰ সলনি কৰ্ম কৰি টকা অৰ্জন কৰাত বেছি প্ৰাধান্য দিয়ে।

**ৰীতি-নীতি, পৰম্পৰা আৰু বিশ্বাস ঃ**

সম্প্ৰদায়ত থকা ৰীতি-নীতি আৰু পৰম্পৰাই বিশ্বাস আহৰণত প্ৰভাৱ পেলায়। যাৰ ফলত সম্প্ৰদায়ৰ শিশুসমূহৰ শিক্ষা আহৰণত বাধাগ্ৰস্ত হয়। উদাহৰণ স্বৰূপে কোনো পৰিয়ালৰ পিতৃ-মাতৃয়ে ভাবিব পাৰে যে তেওঁলোকৰ পূৰ্বজন্মৰ কৰ্মৰ ফলত ঈশ্বৰে তেওঁলোকক বাধাগ্ৰস্ত শিশু দিছে যিটো শিশু তেওঁলোকৰ মতে বিদ্যালয়লৈ যোৱাৰ ক্ষেত্ৰত উপযুক্ত নহয়। লিংগ বৈষম্য বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল আৰু এই লিংগ বৈষম্যই ছোৱালীক শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰত ৰাখিবলৈ বাধ্য কৰায় আৰু বিদ্যালয়ত গ'লেও পুনৰ ঘৰমুখী হোৱাৰ পৰিৱেশ সৃষ্টি কৰে।

**বঞ্চিত আৰু নিম্ন অৰ্হতা সম্পন্ন মানুহৰ প্ৰতি দৃষ্টিভংগী ঃ**

সম্প্ৰদায়ৰ সাধাৰণ লোকৰ পৰম্পৰাগত বিশ্বাস আৰু শোষণ কৰা মনোবৃত্তিৰ কাৰণে তেওঁলোকৰ প্ৰতিবন্ধক, সুবিধাৰ পৰা বঞ্চিত আৰু অৰ্হতা নথকা একাষৰীয়া মানুহৰ প্ৰতি নেতিবাচক দৃষ্টিভংগী থকা দেখা যায়। যাৰ বাবে প্ৰচলিত শিক্ষা ব্যৱস্থাত এইসকল পিছপৰা লোকৰ অংশগ্ৰহণ সুনিশ্চিত নহয়।

স্থানীয় লোকৰ বৈশিষ্ট্যই কি ধৰণৰ শৈক্ষিক সুবিধা প্ৰদান কৰিব লাগিব তাক নিৰ্ধাৰণ কৰে আনহাতে শিক্ষানুষ্ঠানসমূহেও স্থানীয় লোকক প্ৰভাবিত কৰে। শৈক্ষিক দিশৰ পৰা ক'বলৈ গ'লে বিদ্যালয়ক আমি কেতিয়াও সম্প্ৰদায়ৰ পৰা পৃথক কৰিব নোৱাৰো। সম্প্ৰদায়ক বাদ দি বিদ্যালয়ে একক হিচাবে কাম কৰিব নোৱাৰে।

বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত থকা প্ৰতিবন্ধক আঁতৰাই দুয়োটা সংগঠন এক লগ হৈ কাম কৰা উচিত। এই ক্ষেত্ৰত শিক্ষকে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত প্ৰকৃত যোগাযোগকাৰী হ'ব পাৰে। বিদ্যালয় আৰু সম্প্ৰদায় দুয়োপক্ষই যিহেতু পৰস্পৰে শিশুৰ ভালৰ কাৰণে কাম কৰে সেয়ে শিক্ষকৰ সহায়ত দুয়োপক্ষৰ মাজত প্ৰতিবন্ধক আঁতৰাই দুয়োপক্ষৰ সহায়-সহযোগিতা ত্বৰান্বিত কৰিব লাগে। ফলপ্ৰসূ শিক্ষা আমি তেতিয়াহে পাম যেতিয়া বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত বুজাবুজি আৰু একেলগে কাম কৰাৰ প্ৰৱণতা থাকে। গতিকে দেখা যায় যে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত সম্পৰ্ক হয় পাৰস্পৰিক বুজাবুজিৰ আধাৰত আৰু নহয় বিপৰীতমুখী হয়। সম্প্ৰদায়ৰ লোকে বিদ্যালয় আৰু শিক্ষকৰ পৰা শিশুৰ জৰিয়তে সামাজিক আশা আকাংক্ষা আহৰণ কৰাতো বিচাৰে। এইদৰে সম্প্ৰদায়ে বিদ্যালয়, শিক্ষক বা শিক্ষা ব্যৱস্থাক প্ৰভাবিত কৰে। কিন্তু শিক্ষা ব্যৱস্থা কেনেকুৱা হ'ব সেইটো অকলে সম্প্ৰদায়ৰ ওপৰতে নিৰ্ভৰশীল নহয় ই গোটেই সমাজ বা দেশৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰশীল হয়।

শিক্ষা ব্যৱস্থাত পাঠ্যক্ৰমৰ জৰিয়তে নতুন ধাৰণা, মূল্যবোধ আৰু সঠিক ব্যৱহাৰ আহৰণ কৰাৰ সুবিধা থাকে। এই মূল্যবোধৰ জৰিয়তে বিদ্যালয়ৰ সকলো কাৰ্যসূচীত



টোকা

সম্প্ৰদায়ৰ সকলো লোকে অংশগ্ৰহণ কৰি শৈক্ষিক প্ৰক্ৰিয়াত সহায় আগবঢ়ায়। সম্প্ৰদায়ৰ লগত বিদ্যালয়ৰ ভাব আৰু কৰ্মৰ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকে মুখ্য ভূমিকা ল'ব লাগিব আৰু সম্প্ৰদায়ৰ লোকৰ নতুন ধাৰণা, মূল্যবোধ আৰু সঠিক ব্যৱহাৰ আহৰণ কৰাত সহায় কৰিব লাগিব।

সম্প্ৰদায় হ'ল শিক্ষা ব্যৱস্থাত মুখ্য বিষয়ববীয়া সেয়ে সম্প্ৰদায়ক বিদ্যালয়খন নিজৰ বুলি ভবাৰ সুবিধা দিব লাগিব আৰু বিদ্যালয়ৰ বিকাশৰ পৰিকল্পনা আৰু প্ৰয়োগত সম্প্ৰদায়ক মুখ্য ভূমিকা লোৱাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। বিদ্যালয়ত সম্প্ৰদায় জড়িতকৰণৰ দ্বাৰা বিদ্যালয়ৰ মানৱ সম্পদ, আন্তঃগাঁথনি আৰু পুঁজিৰ সৎ ব্যৱহাৰ কৰিব পাৰি। এই সম্পৰ্কত শিক্ষকে মাত্ৰ সম্প্ৰদায়ৰ প্ৰয়োজনীয়তা, আশা-আকাংক্ষা আৰু তেওঁলোকৰ কৰ্মৰ কঠিনতা বুজি পাব লাগিব। এই প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰিব পাৰি যদিহে শিক্ষকে একে সম্প্ৰদায়ৰ লোকসকলক বুজনি দিয়ে আৰু জ্ঞান উদ্বুদ্ধ কৰে। ডেলৰ আয়োগে পৰ্যবেক্ষণ কৰিছিল যে 'যিহেতু শিক্ষকসকল নিজেই সম্প্ৰদায়ৰ অংশ হয় গতিকে তেওঁলোকৰ অংশগ্ৰহণ নিশ্চিত। তেওঁলোক সম্প্ৰদায়ৰ প্ৰয়োজনীয়তাৰ প্ৰতি বেছি সচেতন আৰু তেওঁলোকে সম্প্ৰদায়ৰ লক্ষ্যত উপনীত হ'বলৈ সম্প্ৰদায়ৰ লগত একেলগে কাম কৰিব পাৰে। যেয়ে বিদ্যালয় আৰু সম্প্ৰদায়ৰ মাজত সম্পৰ্ক কটকটীয়া কৰাৰ যোগেদি সম্প্ৰদায় আৰু বিদ্যালয়ৰ মাজত পাৰস্পৰিক বুজাবুজিৰে কৰ্ম কৰাৰ পৰিৱেশ গঢ়ি তুলিব পাৰি।'

**ক্ৰিয়াকলাপ - 1**

1. বিদ্যালয় আৰু সম্প্ৰদায়ৰ সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে কিছুমান উপায় উল্লেখ কৰক।
2. আপুনি উলিওৱা উপায়সমূহ আপোনাৰ প্ৰধান শিক্ষকৰ লগত আলোচনা কৰক।
3. বিদ্যালয় আৰু সম্প্ৰদায়ৰ সম্পৰ্কৰ প্ৰভাৱ সমূহ লিখক।

## 2.4.1 ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ বিকাশৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ প্ৰভাৱ

মৌখিক ভাষাৰ বিকাশ হ'ল শিশুৰ এক অন্যতম সপল কাৰ্য। কোনো নিৰ্দিষ্ট নিৰ্দেশনা নোহোৱাকৈ শিশুৱে শৈৰৱ বিভিন্ন প্ৰয়োগ আৰু অভিজ্ঞতাৰে ভাষা শিকে। বাষা শিকনত পৰিৱেশেও প্ৰভাৱ পেলায়, যি পৰিৱেশত শিশু ডাঙৰ হয় সেই পৰিৱেশৰ ভাষা শিশুৱে শিকিবলৈ আৰম্ভ কৰে।

আমি জানো যে শিশুৱে খোজ ল'বলৈ বা কথা ক'বলৈ সময় লয়। শিশুৱে কতা কবৰ বাবে জন্ম নলয় সমাজৰ লগত খাপ খাই নিজস্ব বিকাশ কৰিবলৈহে জন্ম লয়। শব্দৰ প্ৰয়োগৰ লগতে শিশুৱে কান্দি আৰু অন্য প্ৰকাশ ভংগীৰে নিজৰ মতামত প্ৰকাশ কৰে। আৰু আনৰ কথাৰ অৰ্থ বুজিবলৈ আৰম্ভ কৰে। ৰেল (1986)ৰ মতে ভাষা শিকন আৰু সমাজৰ লগত কৰা পাৰস্পৰিক ক্ৰিয়া হ'ল মানুহৰ লগত সংযোগ স্থাপনৰ



টোকা

জৰিয়তে অভিজ্ঞতা আহৰণ প্ৰক্ৰিয়া।

শিশুৱে কেতিয়া সক্ষমতা আহৰণ কৰে, সেইটো কোৱা সহজ নহয়। সাধাৰণতে শিশুৱে 1/2ৰ পৰা 14 মাহৰ ভিতৰত কথা কোৱা আৰম্ভ কৰে। চাৰি বছৰ ছমাহৰ ভিতৰত শিশুৱে জটিল বাক্য ক'বলৈ আৰম্ভ কৰে। এটা কথা সত্য যে শিশুৰ অন্য বিকাশৰ লগত ভাষাৰ বিকাশক ৰিজাব নোৱাৰি। এটা শিশুৱে 10 মাহতে শব্দ ক'ব পাৰে কিন্তু আনটোৱে হয়তো 20 মাহতহে কৰিব পাৰে। এটা শিশুৱে হয়তো পাঁচ বছৰ ছয় মাহত সম্পূৰ্ণ জটিল বাক্য ক'ব পৰা হয় কিন্তু আনজনে 3 বছৰতে জটিল বাক্য ক'ব পাৰিব পাৰে।

প্ৰাথমিক শিক্ষা হ'ল শিশুৰ ভাষা শিকনৰ মূল ভেটি। ভাষা সংস্কৃতিৰ এটা অকল উপাদানেই নহয় ই সংস্কৃতিৰ বাহকো। সেয়ে ঘৰুৱা ভাষাৰ পৰা শিশুজনৰ শিশুৰ সাংস্কৃতিক পটভূমি জানিব পাৰিব। বিদ্যালয় শিক্ষাত মাতৃবাষাৰ জৰিয়তে শিক্ষাদানত অধিক গুৰুত্ব দিব লাগে। মাতৃভাষাৰ জৰিয়তে শিশুৱে শিকিব নোৱাৰিলে শিশুৰ বিচ্ছিন্নতাৰ মনোভাৱ, কৰ্মত অংশগ্ৰহণ নকৰাত মনোভাৱ, বিদ্যালয়ত অনিয়মীয়া উপস্থিতি, বিদ্যালয় ত্যাগ আদি কাৰকে গা কৰি উঠে। শিশুৰ স্বাভাৱিক প্ৰৱণতা এয়ে যে শিশুৱে নিজৰ ৰুচি অনুযায়ী চিন্তা কৰিবলৈ ভাল পায়। আনহাতে বিদ্যালয়ত শিশুৱে নিজৰ ৰুচি বা প্ৰসংগ অনুযায়ী চিন্তা কৰিবলৈ সুযোগ নাপায়। জনজাতিসকলৰ ভাষা শিকন তেওঁলোকৰ সামাজিক আৰু মনোবিজ্ঞানিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰে। যেতিয়া জনজাতিসকলক শিশুৱে বিদ্যালয়ত অন্য ভাষাত শিকিবলগীয়া হয় তেতিয়া তেওঁলোকে নিজস্ব সম্প্ৰদায়ৰ বাবে সামাজিক মনোবিজ্ঞানীক সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। তলত এটা ঘটনা প্ৰবাহ দিয়া হৈছে যাৰ সহায়ত সম্প্ৰদায়ে যে শিশুৰ ভাষা শিকনত প্ৰভাৱ পেলায় সেই কথা জানিব পাৰি।

> পানিয়া (Paniya) গুডুলাৰ, তামিলনাডুৰ এটা জনজাতীয় জনগোষ্ঠী য'ত তেওঁলোকে অকল তেওঁলোকৰ জনজাতি ভাষা কোৱাত অভ্যস্ত। কিন্তু তেওঁলোকে যেতিয়া বিদ্যালয়ত তামিল ভাষা শিকিব লগীয়া হৈছিল তেতিয়া তেওঁলোকৰ যথেষ্ট ব্যাকৰণ অশুদ্ধ হৈছিল আৰু এই পৰিঘটনাই তেওঁলোকক এটা সামাজিক মনোবিজ্ঞানীক সমস্যালৈ ঠেলি দিছিল।

ওপৰৰ ঘটনাপ্ৰৱাহৰ পৰা আমি ক'ব পাৰো যে তামিল ভাষাৰ জটিলতাৰ কাৰণে আৰু মাত্ৰ নিজস্ব ভাষাত কথা কোৱাৰ অভ্যস্ত কাৰণে জনগোষ্ঠীৰ শিশুসকলে বিদ্যালয়ত পাৰদৰ্শিতা দেখুৱাব পৰা নাছিল। বহুতো খিলঞ্জীয়া মানুহৰ সন্তানে তামিল ভাষা ক'ব নাজানে বাবে বিদ্যালয় ত্যাগ কৰিব লগা হৈছিল।

আমি ইতিমধ্যে জানো যে বিদ্যালয়ৰ চাৰিওপালে বিভিন্ন ভাষাৰ মানুহ থাকে আৰু শিশুসকল এই খিলঞ্জীয়া ভাষা কোৱাতহে অভ্যস্ত। গতিকে এনেধৰণৰ শিশুৰ বাবে সোনকালে ৰাজ্যিক ভাষা বা ৰাষ্ট্ৰীয় ভাষা আয়ত্ত কৰাটো কঠিন হৈ পৰে। দেখা যায় যে শিশুৰ প্ৰয়োজনীয়তা আৰু ৰুচি অনুযায়ী শৈক্ষিক সহায় আগবঢ়োৱা নাই বা পাঠ্যক্ৰম

টোকা

অনুযায়ী শিক্ষণ-শিকন প্ৰক্ৰিয়া হোৱা নাই। বিদ্যালয়ত এনেধৰণৰ প্ৰভেদ আমি সচৰাচৰ দেখিবলৈ পাওঁ। সেইবাবে বহু শিশুৱে ৰুচিহীন শৈক্ষিক পৰিৱেশৰ বাবে বিদ্যালয় আধাতে ত্যাগ কৰে।

গৱেষণাৰ জৰিয়তে এইটো উদ্ভাৱন কৰা হৈছে যে শিশুৱে প্ৰথমে মাতৃভাষাতহে শিক্ষা গ্ৰহণ কৰিব লাগে। ঘৰৰ ভাষা আৰু বিদ্যালয়ৰ ভাষাৰ মাজত উন্নত প্ৰযুক্তি আৰু কৌশল প্ৰয়োগ কৰি এটা সম্পৰ্ক স্থাপন কৰিব লাগে যাতে শিশুৱে অতি সহজে দুয়োটা ভাষা বুজি পায়। এইক্ষেত্ৰত পিতৃ-মাতৃ, শিশু, বন্ধুবৰ্গ আৰু শিক্ষকৰ মাজত বুজাবুজি আৰু শিকন প্ৰক্ৰিয়াত অংশগ্ৰহণ অতি জৰুৰী।

শিক্ষকে শিশুক তেওঁলোকৰ নিজস্ব ভাষাৰ সামগ্ৰী বিদ্যালয় পাঠ্যক্ৰমত সন্নিবিষ্ট কৰিবলৈ উৎসাহিত কৰিব লাগে আৰু পাঠ্যপুথি প্ৰস্তুত কৰাৰ সময়তো এইক্ষেত্ৰত প্ৰাধান্য দিব লাগে। দেশৰ ভাষা আৰু সংস্কৃতিৰ বিভিন্নতা যদি বিবেচনা কৰো তেন্তে ক'ব লাগিব যে মাতৃভাষাৰ জৰিয়তে শিক্ষা লাভ কৰাটো বোজা নহয় বৰং ই হ'ল সময়ৰ আহ্বান। গাঁও অঞ্চলত শিশুক ঘৰুৱা ভাষাৰ জৰিয়তে শিক্ষা দিয়াৰ বাদে অন্য গত্যন্তৰ নাই। বিদ্যালয়ত যোগাযোগ আৰু শৈক্ষিক দক্ষতা আয়ত্ব কৰাৰ বাবে ভাষাৰ অসমতা আঁতৰ কৰাৰ বাবে সঠিক শৈক্ষিক প্ৰক্ৰিয়া অৱলম্বন কৰিব লাগে আৰু মাতৃভাষাৰ উপযুক্ত শিক্ষণ-শিকন প্ৰণালী এনে সমস্যা দূৰ কৰাত সহায় কৰে। মাতৃভাষাত উচিত শিকনে পিছলৈ শিক্ষাৰ মাধ্যম হিচাপে যিকোনো ভাষ ব্যৱহাৰ কৰাত একো অসুবিধা নাথাকে। এই ক্ষেত্ৰত শিক্ষকৰ মানসিকতা সঠিকভাৱে সলনি হ'ব লাগিব।

**সম্প্ৰদায় ভাষা শিকন ঃ** এই প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীয়ে শিকিবলগীয়া ভাষাৰ কিছুমান দিশ বিকাশ কৰাৰ বাবে একেলগে কাম কৰে আৰু শিক্ষকে উপদেশক বা সহায়ক হিচাপে কাম কৰে। অৱশ্যে পৰিৱেশ অনুযায়ী শিক্ষকৰ ভূমিকা পৰিবৰ্তনো হ'ব পাৰে।

**সম্প্ৰদায় ভাষা শিকনত বাধা ঃ** বিভিন্ন ভাষাৰ সমাহাৰত গঠিত সম্প্ৰদায়ত ভাষা শিকন ব্যৱস্থাত কিছুমান বাধা আমি দেখা পাওঁ। সম্প্ৰদায়ৰ বিভিন্ন ভাষী লোকে যেতিয়া নিজৰ কৃষ্টি অনুযায়ী নিজৰ ভাষাত কোৱা, লিখা, চিন্তা কৰা, আদি কাৰ্য আৰম্ভ কৰে তেতিয়া সম্প্ৰদায়ৰ একক ভাষা শিকণ প্ৰক্ৰিয়াত বাধা আহি পৰে। গৱেষণাৰ আধাৰত কোৱা হৈছে যে বহু ভাষী লোকেৰে গঠিত সম্প্ৰদায়ত ছাত্ৰ-ছাত্ৰীয়ে যোগাযোগ কৌশল ভালকৈ আয়ত্ব নকৰে যদিহে তেওঁলোকে সম্প্ৰদায়ত থকা বিভিন্ন সংস্কৃতিৰ লোকৰ লগত মিলিব নোৱাৰে।

**ভাষাৰ বিকাশত তৎপৰতা ঃ** কিছুমান কৌশলৰ জৰিয়তে পিতৃ-মাতৃ, শিশুৰ যত্ন লোৱাসকল আৰু শিক্ষকে ভাষাত বিকাশৰ বাবে তৎপৰ, যত্নপৰ হ'ব লাগে। শিক্ষকে স্বাভাৱিক পৰিৱেশৰ সৃষ্টিৰ জৰিয়তে শিশুক ভাষাৰ বিকাশৰ সুযোগ দিব লাগে। এই ক্ষেত্ৰত শিক্ষক, যত্নলোৱা লোক আৰু পিতৃ-মাতৃৰ প্ৰতি থকা কিছুমান নিৰ্দেশনা তলত আলোচনা কৰা হ'ল—

- প্ৰত্যেক শিশুৰ নিজস্ব ভাষা বুজি পোৱাটো শিশুজনক সন্মান জনোৱাৰ দৰে হয়



টোকা

আৰু ই এটা যোগাযোগৰ উত্তম প্ৰক্ৰিয়া। ইয়াৰ জৰিয়তে আমি শিশুৰ পৰিয়াল আৰু সম্প্ৰদায়ৰ বৈশিষ্ট্য, গুণাগুণ আৰু অভিজ্ঞতাৰ কথা জানিব পাৰো।

- শিশুসকলৰ মাজত কথোপকথনক উৎসাহিত কৰিব লাগে। বিবিন্ন বয়সৰ দলৰ শিশুৰ মাজত যুৰীয়া শিকণ হ'ল ভাষাৰ বিকাশত এটা অন্যতম প্ৰয়োজনীয় অংশ। বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰি কৰা ক্ৰিয়াকলাপে কথোপকথন উন্নত কৰে। ব্যক্তিগত কাৰ্য আৰু দলগত কাৰ্য আলোচনা, কিতাপৰ বিষয়বস্তুৰ কথোপকথন আদি কাৰ্যৰ মাজত এটা ভাৰসাম্য ৰক্ষা কৰা দৰকাৰ। পাঠ্যক্ৰমৰ প্ৰতিটো দিশেই ভাষাৰ জৰিয়তেহে আদান-প্ৰদান হয় বাবে সক্ৰিয় শিশুৱে শ্ৰেণীকোঠাত মনে মনে বহি থাকিব নোৱাৰে।

**স্ব-মূল্যায়নৰ প্ৰশ্ন - 3**

বিঃদ্ৰঃ আপোনাৰ উত্তৰৰ বাবে খালী ঠাই দিয়া হৈছে আৰু আপোনাৰৰুত্তৰ আনৰ লগত ৰিজাই চাওক।

1. শিশুৰ শিক্ষা আহৰণৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ ভূমিকা কি হ'ব লাগে লিখক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

2. সম্প্ৰদায়ে বিদ্যালয় শিক্ষাত কিদৰে প্ৰভাৱ পেলায় আলোচনা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

3. সম্প্ৰদায়ৰ গুণগত মান উন্নত কৰাৰ বাবে শিক্ষকে কিদৰে সহায় কৰিব পাৰে ব্যাখ্যা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 2.4.2. ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ ভূমিকা

ভাষাৰ বিকাশৰ ক্ষেত্ৰত যিদৰে সম্প্ৰদায়ৰ অৰিহণা আছে সেইদৰে শিশুৰ সাংস্কৃতিক দিশৰ বিকাশতো সম্প্ৰদায়ৰ অৰিহণা যথেষ্ট। নিজস্ব কৃষ্টি বজাই ৰখাটো এটা সকলোৰে সাংবিধানিক অধিকাৰ। সংবিধানৰ ধাৰা- 27 অনুসৰি শিশুৱে পিতৃ-মাতৃৰ সন্মান কৰা, নিজস্ব সংস্কৃতি চিনাক্ত কৰা, ভাষা আৰু মূল্যবোধৰ বিকাশ কৰা আদিৰ বাবে শিশুক শিক্ষিত কৰিব লাগে।

ইয়াৰ পৰা আমি নিঃসন্দেহে ক'ব পাৰো যে ভাষা হ'ল সংস্কৃতিৰ বাহক। ভাষা

টোকা

হ'ল সাংস্কৃতিক ঐতিহ্যৰ এটা অংশ আৰু ভাষাক সংস্কৃতিৰ পৰা আঁতৰ কৰিব নোৱাৰি। ভাষা শিকন অকল সাংবিধানিক অধিকাৰেই নহয় ই হ'ল শিশুক গুণগত শিক্ষা প্ৰদান কৰাৰ এক উৎকৃষ্ট মাধ্যম।

**সংস্কৃতিৰ অৰ্থ ঃ**

আমি সংস্কৃতিৰ অৰ্থৰ বিষয়ে আলোচনা কৰোঁ আহক। চহৰ বা গাঁৱৰ শিক্ষিত বা অশিক্ষিত যিকোনো মানুহে সাধাৰণ উদ্দেশ্য আৰু ৰুচি অনুসৰি কিছুমান পৰম্পৰা মানি চলে যাক লোকসংস্কৃতি বুলিব পাৰো। লোক কলা হ'ল পৰম্পৰাগত সাংস্কৃতিক প্ৰকাশ যাৰ জৰিয়তে মানুহে জীৱন প্ৰক্ৰিয়া চলাই নিয়ে। লোককলাৰ জৰিয়তে মানুহে সৌন্দৰ্যৰ প্ৰতি, চিনাক্তকৰণ প্ৰক্ৰিয়াৰ প্ৰতি আৰু ব্যৱহাৰিক গুণগত দিশৰ প্ৰতি থকা কলাসুলভ মনোভাৱ প্ৰকাশ কৰিব পাৰে। মানুহে কৰ্ম সমাপনৰ জৰিয়তে অনানুষ্ঠানিক ভাৱে লোক কলা শিকে। উদাহৰণ স্বৰূপে পৰিয়াল, বন্ধুবৰ্গ, ওচৰ-চুবুৰীয়া আৰু সহকৰ্মীসকলৰ পৰা পৰম্পৰা অনুযায়ী সমাপন কৰা কৰ্মৰ জৰিয়তে মানুহে লোক কলা শিকে। সাংস্কৃতিক ঐতিহ্য আৰু লোককলাই বৰ্তমান আৰু অতীতক সংলগ্ন কৰে। লোককলা কেতিয়াও সম্পূৰ্ণ স্থায়ী নহয় ই পৰিবৰ্তনশীল পৰিৱেশৰ লগে লগে পৰম্পৰাগত চৰিত্ৰৰ ওপৰত নিৰ্ভৰ কৰি পৰিবৰ্তন।

সংস্কৃতি হ'ল মানুহৰ ভাৱ প্ৰকাশৰ এক জিলিঙণি আৰু ইয়াক বিভিন্ন ধৰণে বিভিন্ন কাৰণত অধ্যয়ন কৰিব পাৰি। সংস্কৃতিৰ প্ৰাথমিক বৈশিষ্ট্য এয়ে যে পৰম্পৰাগত আৰু জাতিগত দৃষ্টিভংগীৰ আধাৰত সমাপন কৰা কৰ্মৰ গতিশীলতাৰ পৰা সংস্কৃতিৰ উপাদান সমূহ সৃষ্টি হয়। সংস্কৃতি জনগোষ্ঠীৰ একে ঐতিহ্য, ভাষা, বৃত্তি, ধৰ্ম বা ভৌগোলিক অৱস্থানৰ জৰিয়তে সময়ানুযায়ী বিকাশ হয় আৰু ঘৰুৱা এই পৰম্পৰাগত কৰ্ম বা বৈশিষ্ট্যই একোটা জনগোষ্ঠীক চিনাক্তকৰণ কৰাত সহায় কৰে। সৰু সৰু দলগত সামাজিক কৰ্ম সমাপনৰ জৰিয়তে এই পৰম্পৰাগত জ্ঞানবোৰ আহৰণ হয়। এই জ্ঞান আহৰণ ব্যক্তিগত ভাৱেও হ'ব পাৰে আৰু যেতিয়া ৰাজহুৱা কৰ্মৰ জৰিয়তে ৰাজহুৱা ভাৱেও এই জ্ঞান আহৰণ কৰিব পাৰে। আমাৰ সকলোৰে জীৱনৰ লোক কলা প্ৰথমতে আহৰণ হয় যদিও জীৱনৰ অন্তিম সময়লৈই সংলগ্ন হৈয়ে থাকে। প্ৰযুক্তি, বিজ্ঞান, দূৰদৰ্শন, ধৰ্ম, নগৰীকৰণ, সাহিত্য আদি থকা সত্বেও আমি আন্তঃসম্পৰ্কৰ জৰিয়তে জীৱন সম্পৰ্কে শিকো আৰু প্ৰয়োজনীয় কথা বা মনোভাৱ আনলৈ বিলাওঁ।

**ৰাষ্ট্ৰীয় নতুন শিক্ষানীতি (1986) আৰু কৰ্ম আঁচনি (1992) ঃ**

এই শিক্ষানীতি আৰু কৰ্ম আঁচনিৰ জৰিয়তে সাংস্কৃতিক দৃষ্টিকোণৰ আধাৰত শিশুৰ সুপ্ত প্ৰতিভা আৰু ব্যক্তিত্ব বিকাশ কৰাৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছে। শিক্ষাৰ সাংস্কৃতিক দৃষ্টিকোণৰ উদ্দেশ্য হ'ল লোকগীত, লোক কথা, স্থানীয় বুৰঞ্জী স্থানীয় খেল-ধেমালি, আৰু পৌৰাণিক গল্প সংগ্ৰহ কৰিবলৈ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক উৎসাহিত কৰা। এইবোৰ শিশুৰ সাংস্কৃতিক দিশৰ বিকাশৰ বাবে প্ৰভাৱশালী শিকন সামগ্ৰী হিচাবে ব্যৱহাৰ কৰিব পাৰি। এই শিকন সামগ্ৰীক সম্প্ৰদায়ৰ সহযোগত স্ব-শিকন সামগ্ৰী হিচাবেও ব্যৱহাৰ কৰিব পাৰি। সম্প্ৰদায়ে ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত এক


টোকা

গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যদি স্থানীয় কৃষ্টি সংস্কৃতি ভালকৈ অদ্যয়ন কৰা হয় তেন্তে এই অধ্যয়নে শিক্ষানুষ্ঠানৰ জ্ঞানৰ ভেটি তৈয়াৰ কৰে। স্থানীয় বুৰঞ্জী, লোক পৰম্পৰা, কলা, হস্তকলা আদি শিক্ষকে শিক্ষণ-শিকন প্ৰক্ৰিয়াত ব্যৱহাৰ কৰি শ্ৰেণীকোঠাৰ গুণগত দিশ উন্নত কৰিব পাৰে।

**জনজাতীয় লোকৰ সামাজিক আৰু গাঁৱলীয়া জীৱনৰ আধাৰক উদাহৰণ ঃ**

জনজাতীয় আৰ্থ-সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত 'মাহুল গছ'ৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰী শিকাব পাৰি। এই গছৰ ফল খোৱা হয় আৰু ৰান্ধিও ইয়াৰ জুটি লোৱা হয়। ইয়াৰ গুটিৰ পৰা তেল সংগ্ৰহ কৰা হয় আৰু বৈ যোৱা অংশ মাকৈৰ খেতি পথাৰত সাৰ হিচাবে প্ৰয়োগ কৰা হয়। শীতকালত গৰুৰ বিভিন্ন বেমাৰৰ নিৰাময়ৰ বাবে ইয়াক ঔষধ হিচাবে ব্যৱহাৰ কৰা হয়। ইয়াৰ গুটিবোৰ যেতিয়া পোৰা হয় তেতিয়া ধোঁৱা ওলাই আৰু এই ধোঁৱাই গ'লৰ অংশত হোৱা ফুলা বেমাৰ ভাল কৰে। এই গছৰ ফুলৰ পৰা প্ৰস্তুত কৰা ৰস পানীয় হিচাপে ব্যৱহাৰ কৰাৰ উপৰি বীজাণুনাশক হিচাবে আৰু কেছুমুৰী ৰোগৰ ঔষধ হিচাপেও ব্যৱহাৰ কৰা হয়। গছৰ গা-গছ অংশ ইন্ধন হিচাবে ব্যৱহাৰ হয়।

জনজাতি লোকৰ বাবে এই মাহল গছ আৰ্থিক উন্নয়নৰ মূল ভেটি আৰু জীৱন প্ৰক্ৰিয়াৰ মূল উৎস। প্ৰতিঘৰ জনজাতি লোকৰ প্ৰায় 30-40 ডাল মাহুল গছ থাকে আৰু ইয়াৰ ফুল, ফল আৰু ৰস বিক্ৰী কৰি পুঁজি সংগ্ৰহ কৰে। গাঁৱলীয়া লোক সংগীতজ্ঞ এই গছৰ নামো উল্লেখ আছে। এইদৰে মাহুল গছে জনজাতীয় জীৱনত সৃজনীমূলক প্ৰবৃত্তি উদ্ভাৱন কৰে আৰু তেওঁলোকৰ মহত্ব আৰু নান্দনিক সৌন্দৰ্যবোধক উৎসাহিত কৰে।

মাহুল গছে তেওঁলোকৰ সামাজিক আৰু ধাৰ্মিক জীৱন প্ৰক্ৰিয়াতো প্ৰভাৱ পেলায়। জনজাতি লোকৰ বিবাহ কৰ্মত মাহুল গছৰ গা গছ অংশ কাটি বিবাহস্থলীৰ মাজ ভাগত ৰোপণ কৰে। মাহুল গছক তেওঁলোকে পৰিয়ালৰ মংগলজনক চিহ্ন হিচাবে গণ্য কৰে। লোকবিশ্বাস আছে যে মাহুল গছত দেৱ-দেৱী বা আৰাধ্য ভগৱানে বাস কৰে আৰু সেইবাবে মাহুল গছক পূজা-অৰ্চনা কৰা হয়। প্ৰতিখন গাঁৱতে গছ পুখুৰী সম্পৰ্কীয় বা ভগৱান সম্পৰ্কীয় স্থানীয় বুৰঞ্জী, পৌৰাণিক গল্প আৰু ঘটনা বিৰাজমান যিবোৰ বেছিভাগেই শিশুসকলে ইতিমধ্যে জানে অন্যথা শিক্ষকে মাত্ৰ শিশুৰ নিজস্ব গাঁৱৰ বুৰঞ্জীহে ক'বলগীয়া হয়। এই ঘটনা প্ৰৱাহে শিশুৰ নিজৰ সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতি গৌৰৱান্বিত কৰে।

**উৎসৱ সংস্কৃতিৰ এক অন্যতম মুখা ঃ**

আমি এতিয়া 12 মাহত কোনবোৰ উৎসৱ উদ্‌যাপন কৰো তাৰ আলোচনা কৰো। প্ৰতি বছৰে বিভিন্ন অঞ্চলত বিভিন্ন সম্প্ৰদায়ে বিভিন্ন উৎসৱ পালন কৰি আহিছে। যিকোনো কাৰণতেই নহওক প্ৰতিটো ঋতুত কোনো উৎসৱ আমি পালন কৰোঁ। স্বাধীনতা দিৱস বা গণতন্ত্ৰ দিৱস আমি সকলো ঠাইতে সকলোৱে পালন কৰো। কিন্তু আমি ধাৰ্মিক বা সম্প্ৰদায়ৰ নিজস্ব উৎসৱতহে তেওঁলোকৰ উৎসাহ-উদ্দীপনা দেখিবলৈ পাওঁ। যেনে

টোকা

- খ্ৰীষ্টমাচ, দেৱালী, নৱৰাত্ৰি/দুৰ্গাপূজা, লোহৰী, বসন্ত পঞ্চমী, ঈদ আদিত আমি সংশ্লিষ্ট ধৰ্মৰ মানুহৰ উৎসাহ আৰু সক্ৰিয় অংশ গ্ৰহণ দেখা পাওঁ।

আমি জানো যে খ্ৰীষ্টমাচ খ্ৰীষ্টান লোকসকলৰ ভালপোৱা আৰু আনন্দ বিলোৱাৰ এক মহান উৎসৱ। কিন্তু আমি আজিকালি বিদ্যালয়বোৰত খ্ৰীষ্টমাচ গছৰ সহায়ত এই উৎসৱ পালন কৰা দেখা পাওঁ। ভাৰতবৰ্ষত দিৱালী আটাইতকৈ ডাঙৰ উৎসৱ কিন্তু অন্য দেশেও ইয়াৰ সৌন্দৰ্যৰ প্ৰতি লক্ষ্য ৰাকি দিৱালী উৎসৱ পালন কৰে। অমাৱস্যা নিশাৰ অন্ধকাৰত ফুলজাৰি, মাটিৰ চাকি বা মমবাতিৰ পোহৰৰ সৌন্দৰ্যই সকলোৰে অন্তৰ চুই যায়। গতিকে হিন্দু আৰু অহিন্দু সকলোৰে এই দেৱালী উৎসৱ পালন কৰি সুখ আৰু আনন্দ উপভোগ কৰে।

সেইদৰে নৱৰাত্ৰি বা দুৰ্গা পূজাত নাইবা দান্দিয়া নৃত্য উৎসৱত গুজৰাটে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। বেংগলীসকলেও দুৰ্গা পূজা উৎসৱ উলহ মালহেৰে পালন কৰে। সেইদৰে ফাকুৱা বা হলি উৎসৱে সকলোকে কাষলৈ চপাই আনিবলৈ সক্ষম হয়। ঈদ উৎসৱৰ সময়তো অমুছলিম লোকসকলে মুছলিম বন্ধুসকলৰ আমন্ত্ৰণ ক্ৰমে ঈদ উৎসৱত ভাগ লয় লগতে মৰম আৰু ভাল পোৱা বিয়পায়।

আমি জানো যে দেৱী সৰস্বতীক আদৰিবলৈ বসন্ত কালত বসন্ত পঞ্চমী উৎসৱ পালন কৰা হয়। কিন্তু প্ৰতিদিনেই আকৌ মুছলিম সম্প্ৰদায়ৰ ছুফি বসন্ত উৎসবো পালন কৰা হয়।

ওপৰত উল্লেখ কৰা সকলোবোৰ উৎসৱেই সুখ আৰু আনন্দ বিলোৱাৰ উৎসৱ। এনেকুৱা ভালপোৱা, সুখ, ধৈৰ্য প্ৰতিজনৰ প্ৰতি সন্মান জনোৱা উদ্যমে ধৰ্মনিৰপেক্ষ চৰিত্ৰক শক্তিশালী কৰে আৰু সকলোৰে সংস্কৃতি জনাৰ এক সুবিদা আনি দিয়ে।

**এটা লোক খেল ঃ**

'কালাহান্দি' নামেৰে এক লোক খেল ছোৱালীবোৰৰ মাজত খেলোৱা হয় য'ত গাঁৱৰ ৰাস্তাত জিৰণি সময়ত ছোৱালীবোৰ এক লগ হয় আৰু খেলবিধ খেলে। এইখেলত ছোৱালীবোৰে মাছৰ নাম আৰু শস্যৰ নাম বাৰে বাৰে কয় আৰু যেতিয়ালৈকে সকলোৰে কোৱা শেষ নহয় খেলবিধ চলিয়ে থাকে।

এই খেলৰ জৰিয়তে শিশুৱে বিভিন্ন মাছৰ নাম আৰু শস্যৰ নাম জানিব পাৰে। ইয়াৰ দ্বাৰা তেওঁলোকক মাছৰ বিভিন্ন চৰিত্ৰ বা বাসস্থানৰ বিষয়ে শিকাব পাৰো। সেইদৰে শিশুসকলে এই খেলৰ জৰিয়তে ঋতু অনুযায়ী, ঠাই অনুযায়ী আৰু অঞ্চল অনুযায়ী কি কি শস্য উৎপাদন হয় সেই সম্পৰ্কেও জানিব পাৰে। ছোৱালীবোৰ আনকি খেলত মাছমৰীয়া আৰু গ্ৰাহকৰ অভিনয় কৰিও খেলবিধ খেলে। তেওঁলোকে মাতৃ আৰু শস্যৰ ওজন কৰাৰ জৰিয়তে জোখৰ কেক সম্পৰ্কেও জ্ঞাত হয়। অভিনয়ৰ দ্বাৰা তেওঁলোকৰ মানুহৰ লগত কথা কোৱাৰ কৌশল আৰু মানুহক প্ৰশ্ন কৰাৰ কৌশল আয়ত্ত কৰিবলৈ সক্ষম হয়। শিক্ষক হিচাবে য'ত বিদ্যালয় আছে সেই সম্প্ৰদায়ৰ বিভিন্ন লোকৰ আন্তঃ সাংস্কৃতিক সম্পৰ্কৰ বিষয়ে জনা উচিত। ইয়াক তলত উল্লেখ কৰা ধৰণে


টোকা

আহৰণ কৰিব পাৰি—

- সম্প্ৰদায়ৰ বিভিন্ন সাংস্কৃতিক দিশসমূহ উদ্‌ঘাটন কৰা।
- এটা সংস্কৃতিৰ বিভিন্ন বৈশিষ্ট্য আৰু সংস্কৃতিৰ অনুশীলন জনা আৰু তাৰ জৰিয়তে আন্তঃ সাংস্কৃতিক সহনশীলতা আৰু পাৰ্থক্যৰ সহমত সৰলীকৰণ কৰা।
- একপক্ষীয় মনোভাৱ, আগতীয়া ধাৰণা আৰু পৌৰাণিক সাধু পৰিহাৰ কৰা।

বিদ্যালয় আৰু সম্প্ৰদায়ে শিশুৰ সাংস্কৃতিক বিকাশ ঘটোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। স্থানীয় সংস্কৃতিৰ বিদ্যালয়ত বা শ্ৰেণীকোঠাত প্ৰতিফলন ঘটালে শিশুৰ জ্ঞান আৰু আত্মবিশ্বাস বাঢ়ে। ওচৰত থকাহাবি বা প্ৰয়োজনীয় ঐতিহাসিক স্থানত ছাত্ৰ-ছাত্ৰীয়ে যদি অধ্যয়ন কৰিবলৈ যায় তেন্তে তেওঁলোকে স্থানীয় ব্যক্তিৰ সহায়ত তাত থকা সকলো বস্তুৰ অধ্যয়ন ভালকৈ কৰিব পাৰিব। পাঠ্যক্ৰমক আন এটা প্ৰয়োজনীয় দিশ হ'ল দৈনন্দিন জীৱনৰ ঘটনাৰাজিৰ লগত ইয়াৰ সংলগ্নতা। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনৰ ঘটনাৰাজিৰ দ্বাৰা পাঠ প্ৰদান কৰিলে তেওঁলোকৰ শিকন মজবুত হয়।

পিতৃ-মাতৃ, ককা-আইতা, অভিভাৱক আদিক নিমন্ত্ৰণ জনাই সাংস্কৃতিক মেলা অনুষ্ঠিত কৰি তাত তেওঁলোকৰ দ্বাৰা প্ৰস্তুত কৰা আৰু দেখুওৱা বিভিন্ন কলা যেনে - নৃত্য, লোকগীত আদি প্ৰদৰ্শন কৰিলে বিভিন্নজনে আৰু শিক্ষাৰ্থীয়ে এই মেলাৰ পৰা বহু লাভৱান হ'ব আৰু স্থানীয় ভিন্ন সংস্কৃতিৰ লগত পৰিচিত হ'ব। সম্প্ৰদায়ৰ পৰা তলত দিয়া ধৰণে বিদ্যালয় বা শিক্ষাৰ্থীয়ে লাভৱান হ'ব পাৰে।

- সম্প্ৰদায়ৰ পৰা বিশিষ্ট লোক যেনে সম্প্ৰদায়ৰ নেতা, জনজাতিৰ মুৰব্বী আদি বিদ্যালয়লৈ আহি শ্ৰেণীকোঠাত তেওঁলোকৰ ভিন্ন স্থানীয় কলা, সংস্কৃতিক, পৰম্পৰা আদিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক জনাব পাৰে।
- ছাত্ৰ-ছাত্ৰীয়ে সম্প্ৰদায়ৰ লোকক নাম ধৰিও তেওঁলোকৰ ৰীতি-নীতি পৰম্পৰা, সংস্কৃতি আদিৰ বিষয়ে সুধি বিভিন্ন জ্ঞান আহৰণ কৰিব।
- পাঠ্যক্ৰম পুনঃ প্ৰস্তুত কৰিব লাগে য'ত বৰ্ষচক্ৰ আৰু জীৱন চক্ৰ সন্নিবিষ্ট হৈ থাকে।
- সংশ্লিষ্ট সম্প্ৰদায়ৰ লোকক নিয়োজিত কৰি স্থানীয় পঠন সামগ্ৰী বনাব লাগে।
- পাঠ্যক্ৰম প্ৰস্তুতৰ সময়ত স্থানীয় সম্প্ৰদায়ৰ সহায়ত লোকসাধু, লোকখেল, লোকসংগীত আদি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে।
- স্থানীয় বাসিন্দাৰ উত্তম কাৰ্যবোৰৰ তথ্য সংগ্ৰহ কৰিব লাগে আৰু এইবোৰ অন্য বিদ্যালয়লৈ পঠাব লাগে।
- স্থানীয় দক্ষ ব্যক্তিৰ পাঠদানৰ বাবে প্ৰযুক্তি কৌশলৰ সহায় কৰিব লাগে।

স্থানীয় জ্ঞান মানে পৰম্পৰাগতভাৱে পোৱা জ্ঞানেই নহয় বৰঞ্চ ইয়াক স্থানীয়ভাৱে নতুন জ্ঞানৰ সন্ধান বিচৰাৰ পত বুলি ধৰিব লাগে। আমি কেনেকৈ উদ্ভাৱনী প্ৰক্ৰিয়াৰে স্থানীয় জ্ঞান নতুন প্ৰজন্মলৈ নিব পাৰো তাৰ ব্যৱস্থা কৰিব লাগে।

টোকা

গতিকে শিক্ষক হিচাবে আপুনি নিশ্চয় পৰম্পৰাগত জ্ঞান গল্প, লোক সাধু, বিশ্বাস, প্ৰয়োগ আদিৰ জৰিয়তে বিলাই দিব পাৰিব। তলত স্থানীয়ভাৱে পোৱা 'মাহুল গছ'ত কি কি উপকাৰ আছে তাক দেখুওৱা হৈছে।




**ক্ৰিয়াকলাপ - 2**

1. ওচৰৰ সম্প্ৰদায় এটা অধ্যয়ন কৰি তেওঁলোকৰ লোক কলা, লোকখেল আৰু লোকসাধুৰ আধাৰত তিনিটা স্থানীয় জ্ঞান চিনাক্ত কৰক।

.................................................................................................................

.................................................................................................................

.................................................................................................................

## 2.4.3 ছাত্ৰ-ছাত্ৰীৰ জীৱন কৌশল বিকাশত সম্প্ৰদায়ৰ প্ৰভাৱ ঃ

**এটা লোক সাধু ঃ**

'এটা কুকুৰাই নদী এখনত সদায় পানী খাবলৈ গৈছিল। তাত এটা ঘঁৰিয়াল আছিল আৰু সি কুকুৰাটোক খাবৰ ইচ্ছা কৰিছিল। কুকুৰাটোৱে ঘঁৰিয়ালটোৰ মনৰ কথা জানিব পাৰি এদিন কুকুৰাটোৱে ঘঁৰিয়ালটোক পানীৰ পাৰলৈ মাতি নি কৈছিল— 'ভাই, মোক তুমি ভক্ষণ নকৰিবা।' তেতিয়া ঘঁৰিয়ালটোৱে ভাবিছিল যে কুকুৰাজনীয়ে মোক ভাই বুলি কৈছে যেতিয়া মই এতিয়া কুকুৰাজনীক খাব নোৱাৰো। এই ভাবেৰে ঘঁৰিয়ালটো গুচি গৈছিল।

পিছৰ দিনা কুকুৰাজনীয়ে পানী খাবলৈ যাওঁতে ঘঁৰিয়ালটোৱে তাইক খাবৰ



টোকা

ইচ্ছা কৰা নাছিল। কিন্তু হঠাতে কুকুৰাজনীয়ে চিঞৰি উঠিছিল— 'ভাই মোক নাকাবা।' ঘঁৰিয়ালটো আচৰিত হৈছিল আৰু ভাবিছিল মই কেনেকৈ কুকুৰাজনীৰ ভাই হ'ব পাৰো। এই কথাৰ সমাধান বিচাৰি ঘঁৰিয়ালটোৱে এটা জেঠীৰ ওচৰত গৈছিল আৰু কৈছিল যে 'মই কেনেকৈ কুকুৰাজনীৰ ভাই হ'ব পাৰো বুজাই দিয়া।' তেতিয়া জেঠীটোৱে কৈছিল কাছ, তুমি আৰু মই সকলোৱে কণীৰ পৰা জন্মলাব কৰা প্ৰাণী। কুকুৰাজনীয়েও যিহেতু কণীয়ে দি থাকে আৰু কণীৰ পৰা জন্ম লাভ কৰে। সেই সূত্ৰে তুমি কুকুৰাজনীৰ ভাই। কথাটোৰ ৰহস্য বুজি পোৱাৰ পিচত ঘঁৰিয়ালটোৱে আৰু কোনোদিনেই কুকুৰা চিকাৰ নকৰো বুলি প্ৰতিজ্ঞা কৰিলে।'

তলৰ প্ৰশ্নবোৰৰ সহায়ত আমি এতিয়া সাধু কথাটো আলোচনা কৰো।

- সাধুকথাটোত কি প্ৰসংগই জনজাতি সম্প্ৰদায়ৰ কথাত প্ৰতিনিধিত্ব কৰিছে?
- আপুনি ভাবেনে এই সাধু কথাটোৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ জীৱন কৌশল বৃদ্ধি কৰিব পৰা যাবনে?
- যদি পৰা যাব, তেনেহ'লে সাধুটোৱে কি জীৱন কৌশল আয়ত্ত হোৱাৰ কথা কৈছে?

আমি দেখিছো যে সাধুকথাটোৱে ভাল যোগাযোগ, ইতিবাচক দৃষ্টিভংগী আৰু আন্তঃসম্পৰ্ক গঢ়ি তুলিছে। য'ত জীৱবোৰে তেওঁলোকৰ মাজত হৰ্ষ, বিষাদ আলোচনা কৰিছে আৰু সুখেৰে সকলোৱে বসবাস কৰাৰ বাতাবৰণ সৃষ্টি কৰিছে।

এতিয়া আপোনাৰ মনত প্ৰশ্ন আহিব পাৰে জীৱন কৌশল মানেনো কি?

জীৱন কৌশল

**সামাজিক কৌশল**
- স্ব-সচেতনতা,
- ফলপ্ৰসূ যোগাযোগ,
- মানুহৰ আন্তঃসম্পৰ্ক
- সহমৰ্মিতা

**চিন্তা কৰাৰ কৌশল**
- সৃজনীমূলক চিন্তা
- যুক্তিপূৰ্ণ চিন্তা
- সিদ্ধান্ত গ্ৰহণ
- সমস্যা সমাধান

**আবেগিক কৌশল**
- আৱেগৰ নিয়ন্ত্ৰণ
- হতাশা নিয়ন্ত্ৰণ

**জীৱন কৌশলৰ অৰ্থ ঃ** জীৱন কৌশল হ'ল দৈনন্দিন জীৱনৰ চাহিদা আৰু প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ অভিযোগিত আৰু ইতিবাচক ব্যৱহাৰ আহৰণ কৰাৰ বাবে থকা মানুহৰ সামৰ্থ (WHO) প্ৰতিজন মানুহৰে জীৱন কৌশল বা দক্ষতা থাকে যদিও জীৱনত প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ আৰু প্ৰত্যাহ্বান জয় কৰিবলৈ জীৱন কৌশলৰ বৃদ্ধি আৰু বিকাশ হোৱা দৰকাৰ। ভাল ধৰণে আহৰণ কৰা জীৱন কৌশলে মানুহৰ অনুভূতিৰ ওপৰত প্ৰভাৱ পেলায় আৰু মানুহৰ উৎপানশীলতা, গুণগত মান, স্বীয়তা



টোকা



আৰু আত্মবিশ্বাস ত্বৰান্বিত কৰে। জীৱন কৌশলে কিছুমান কৌশল দিয়ে যাৰ সহায়ত মানুহৰ মাজত থকা আন্তঃসম্পৰ্ক বৃদ্ধি কৰিব পাৰো। লোক কথা, লোক পৰম্পৰা, লোক বুৰঞ্জী, লোক বিশ্বাস, ৰীতি-নীতি আদিৰ সমাজত ফলপ্ৰসূ প্ৰয়োগ কৰিবলৈ জীৱন কৌশলৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। শিক্ষা শিকন প্ৰক্ৰিয়াৰ গুণগত মান উন্নত কৰিবলৈ এই স্থানীয় সমলসমূহৰ সঠিক প্ৰয়োগ অধিক প্ৰয়োজনীয়।

**জীৱন কৌশলৰ বৰ্ণনা ঃ**

সাধাৰণতে জীৱন কৌশলসমূহক তিনিটা প্ৰধান ভাগত ভাগ কৰা হয়। যেনে - সামাজিক কৌশল, চিন্তা কৰাৰ কৌশল আৰু আবেগিক কৌশল। শিক্ষক হিচাবে আপুনি এই জীৱন কৌশলসমূহ বৰ্ণনা কৰিবলৈ যাওতে সৰল ভাষা আৰু উদাহৰণসহ বৰ্ণনা কৰিব লাগিব। বিশেষ পৰিৱেশ সাপেক্ষেহে জীৱন কৌশল সমূহ ব্যৱহাৰ কৰা হয়। শিক্ষাৰ্থীসকলক যথেষ্ট সুবিধা দিব লাগিব যাতে তেওঁলোকৰ জীৱন কৌশলসমূহৰ বিকাশ হয়। এই ক্ষেত্ৰত প্ৰক্ৰিয়া আৰু বিষয়বস্তু দুয়োটাই প্ৰয়োজনীয়। জীৱন কৌশল আমি অনুভৱ কৰা প্ৰক্ৰিয়াক প্ৰভান্বিত কৰে আৰু আনে কেনেকৈ আমাৰ ওপৰত অৱধাৰণ কৰে সেইটোত জীৱন কৌশলে নিৰ্ণয় কৰে।

**চিন্তা কৰা কৌশল ঃ**

**1. সৃজনীমূলক চিন্তা ঃ**

- সৃজনীমূলক চিন্তাই আমাৰ দৈনন্দিন জীৱনত পৰিৱেশ সাপেক্ষে মোকাবিলা কৰাত সহায় কৰে। পৰিৱেশৰ লগত হোৱা প্ৰত্যক্ষ অভিজ্ঞতা, বিকল্প পথ উদঘাটন আৰু বিভিন্ন কৰ্মৰ ফলাফলৰ ওপৰত সৃজনীমূলক চিন্তাৰ সৃষ্টি হয়।
- সৃজনীমূলক চিন্তা হ'ল কোনো এটা কাম কৰিব বিচৰাৰ এটা নতুন পথ। ইয়াৰ চাৰিটা বৈশিষ্ট্য আছে।
  - ➯ বাকপটুটা
  - ➯ শিথিলতা
  - ➯ উদ্ভাৱনী শক্তি
  - ➯ ব্যাখ্যাকৰণ

**2. যুক্তিনিষ্ঠ চিন্তা ঃ**

- যুক্তিনিষ্ঠ চিন্তাই আমাক উদ্দেশ্যপূৰ্ণ তথ্য আৰু অভিজ্ঞতাক বিশ্লেষণ কৰাব শিকাই যিয়ে আমি চিন্তা কৰা প্ৰক্ৰিয়াৰ ওপৰত প্ৰভাৱ পেলায়।
- জীৱনৰ সন্ধিক্ষণৰ সময়ত যুক্তি নিষ্ঠ চিন্তা অতি প্ৰয়োজন। আমি কোনটো পথ ল'ম বা কি কৰিম এইটো যুক্তিনিষ্ঠ চিন্তাৰ ওপৰত নিৰ্ভৰ কৰে।
- চিনাক্ত কৰা কৰ্ম কিমান দূৰ সফল হ'ব?
- মই বিচৰা ধৰণে মই কৰ্ম বাছনি কৰিছোঁনে?

**3. সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া ঃ**



টোকা

- গঠনমূলক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াই জীৱনত ভাল সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত সহায় কৰে।
- বয়স সন্ধি কালছোৱাত যদি ততাতৈয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় তেন্তে ই মানসিক আৰু শাৰীৰিকভাৱে ক্ষতিগ্ৰস্ত কৰিব পাৰে।
- সিদ্ধান্ত ঘনাই সলনি কৰিব নালাগে?

**4. সমস্যা সমাধান ঃ**

- সমস্যা সমাধান কৌশলে সমস্যাই ওপৰতে অকল নিয়ন্ত্ৰণ নাৰাখে এই সমস্যাক সুবিধালৈ পৰিবৰ্তন কৰিব পাৰে।
- সমস্যা সমাধান কৌশলে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সহায় কৰে আৰু আবেগ তথা হতাশাৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিবলৈ সক্ষম হয়।

**সামাজিক কৌশল ঃ**

**1. স্ব-সচেতনতা ঃ**

- স্ব-সচেতনতা হ'ল আমাৰ প্ৰয়োজনীয়তা, আশা, অনুভৱ, সবলতা, দুৰ্বলতা আৰু গুণগত মানৰ ওপৰত বোধ হোৱাৰ সামৰ্থ। অৰ্থাৎ নিজৰ দোষ-গুণ নিজেই বিচাৰ কৰি চোৱাৰ সামৰ্থই হ'ল স্ব-সচেতনতা।

**2. ফলপ্ৰসূ যোগাযোগ ঃ**

- ফলপ্ৰসূ যোগাযোগ মানে হ'ল নিজৰ ভাব বা মতামত মৌখিকভাৱে বা অন্য ধৰণেৰে হওক আনৰ আগত প্ৰকাশ কৰিব পৰা সামৰ্থ। এজনৰ ভাৱ বা মতামত আনজনে গ্ৰহণ কৰিবলৈ হ'লে ভাববোৰ সাংস্কৃতিকভাৱে গ্ৰহণযোগ্য হ'ব লাগিব।

**3. মানুহৰ আন্তঃসম্পৰ্ক কৰাৰ কৌশল ঃ**

- ইতিবাচক ধৰণে মানুহৰ লগত সম্পৰ্ক ৰক্ষা কৰাত সহায়ক হয়।
- বন্ধুসুলভ সম্পৰ্ক স্থাপন হয় যাৰ সহায়ত আমি মানসিক আৰু সামাজিকভাৱে ভাল মানুহ হ'ব পাৰোঁ।
- কাৰোবাৰ লগত সম্পৰ্ক ছেদ কৰিবলৈ হ'লে গঠনমূলক চিন্তাৰে এই সম্পৰ্ক ছেদ কৰিব পাৰে।

**4. সহমৰ্মিতা ঃ** কোনো লোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আগভাগ লোৱা আৰু সমস্যা সমাধান কৰা। মানুহৰ বেমাৰ হ'লে বা গুৰুতৰ সমস্যাত পৰিলে সহমৰ্মিতাৰ জৰিয়তে তেওঁলোকৰ সমস্যা সমাধানৰ উপায় উদ্ভাৱন কৰিব পাৰি।

**আবেগিক কৌশল ঃ**

**1. আবেগক নিয়ন্ত্ৰণ ঃ**

- এই প্ৰক্ৰিয়াৰ জৰিয়তে আমি নিজৰ বা আনৰ আবেগ চিনাক্তকৰণ কৰি সেই আবেগে মানুহৰ ব্যৱহাৰৰ ওপৰত কেনেধৰণে প্ৰভাৱ পেলায় সেই কথা



টোকা

হৃদয়ংগম কৰিব পাৰোঁ।

- কিছুমান গাঢ় আবেগ যেনে - খং আৰু অতি দুখ আদিয়ে মানুহজনৰ ওপৰত এটা নেতিবাচক প্ৰভাৱ পেলাব পাৰে যদিহে মানুহজনে এই আবেগৰ প্ৰতি শুদ্ধ সঁহাৰি নজনায়।

**2. হতাশা নিয়ন্ত্ৰণ ঃ**

- জীৱনত কি উৎসৰ পৰা আমাৰ হতাশা আহে তাক চিনাক্ত কৰি, হতাশাই কেনেকৈ ক্ৰিয়া কৰে তাক জানি আমি হতাশা নিয়ন্ত্ৰণ কৰিব পাৰোঁ। এই ক্ষেত্ৰত আমাৰ বাতাবৰণ পৰিবৰ্তন কৰি জীৱন ধাৰণ পৰিবৰ্তন কৰি আৰু কেনেকৈ শান্তি বা অবসাদ পাব পাৰি সেই কথা জানি আমি আমাৰ হতাশা নিয়ন্ত্ৰণ কৰিব পাৰে।

জীৱন কৌশলে নিজে কৰা কৰ্ম, আনে কৰা বা আনৰ বাবে কৰা কৰ্ম আৰু ইতিবাচক পৰিৱেশ গঠনৰ বাবে কৰা কৰ্মক সাঙুৰি লয় যাতে ভবা ধৰণে সকলোৰে বিকাশ সুনিশ্চিত হয়।

আমি জানো যে ভাৰতবৰ্ষত পৰিৱেশৰ বিভিন্নতা আছে আৰু এই ভিন্ন পৰিৱেশত শিশুৰ বিকাশ সম্ভৱ কৰি তুলিবলৈ আমি শিক্ষক, পিতৃ-মাতৃ, সমাজ সকলোৱে তেওঁলোকক উচিত পৰামৰ্শ দিব লাগিব। শিশুসকলৰ কৌশল আহৰণ কৰা, সঠিক আৰু বয়স অনুযায়ী তথ্য সংগ্ৰহ কৰা আৰু নিৰাপদ আৰু সহায়ক পৰিৱেশ পোৱাৰ অধিকাৰ আছে। এইবোৰে শিশুসকলক উৎপাদনশীল নাগৰিক কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত আৰু সামাজিকভাৱে স্বীকৃত কৃতকাৰ্যশীল নাগৰিক হিচাবে গঢ়ি তোলাৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি আগবঢ়ায়। অৰ্হতা নথকা একাষৰীয়া আৰু বিপদসংকুল সম্প্ৰদায়ৰ লোকসকলৰ স্বকীয়তা আৰু আন্তঃকৌশল দেখা পোৱা নাযায়। ছোৱালীবোৰৰ সাধাৰণতে সম্প্ৰদায়ত থকা সামাজিক আৰু সাংস্কৃতিক বৈষম্যৰ কাৰণে স্বকীয়তা কম দেখা যায়।

**জীৱন কৌশল শিক্ষাৰ অৰ্থ ঃ**

জীৱন কৌশল ভিত্তিক শিক্ষাই শিক্ষণ আৰু শিকনৰ মাজত আন্তঃ প্ৰক্ৰিয়াক বুজাই যাৰ সহায়ত শিক্ষাৰ্থীয়ে প্ৰয়োজনীয় জ্ঞান, ইতিবাচক দৃষ্টিভংগী আৰু কৌশল আয়ত্ত কৰি জীৱনত শুদ্ধ সিদ্ধান্ত লৈ শুদ্ধ আৰু সফল কৰ্ম কৰিব পাৰে আৰু সৎ ব্যৱহাৰ আহৰণ কৰিব পাৰে। জীৱন কৌশল শিক্ষাই শিশুক জীৱন সুন্দৰ কৰাত সহায় কৰে।

জীৱন কৌশল শিক্ষাই অকল শ্ৰেণীকোঠাৰ ক্ৰিয়াকলাপত অংশগ্ৰহণ কৰাটোৱেই নুবুজায়। এই শিক্ষাই সৰল প্ৰক্ৰিয়াৰ যোগেদি শিশুক মানুহৰ মাজত শক্তিশালী সু-সম্পৰ্ক গঢ়ি তোলাৰ বাবে প্ৰেৰণা দিয়ে।

আপুনি শিক্ষক হিচাপে শিশুসকলৰ লগত এনেকুৱা কৰ্ম কৰক যাৰ যোগেদি তেওঁলোকৰ জীৱন কৌশল আহৰণ হয়। আমাৰ স্থানীয় সমাজত থকা লোক সংস্কৃতিমুক্ত বিভিন্ন গল্প ঘটনা আদি সমলৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ জীৱন কৌশল বৃদ্ধি কৰিব পাৰি যাতে তেওঁলোকে পৰিৱেশ অনুযায়ী নিজস্ব জীৱন সুখ আৰু আনন্দেৰে



টোকা

পৰিপূৰ্ণ কৰিব পাৰে।

তলত বীৰবলৰ গোপনীয়তা নামেৰে এটা গল্প আলোচনাৰ বাবে দিয়া হৈছে-

'এদিনাখন বীৰবলে আকবৰৰ ৰাজসভাত প্ৰৱেশ কৰোতে দেখিছিল যে সকলোৱে ডাঙৰকৈ হাঁহি আছে। তেওঁ মহাৰাজক ইমান ডাঙৰকৈ হুঁহাৰ কাৰণ কি সুধিছিল। মহাৰাজে উত্তৰ দিছিল যে — 'আমি মানুহৰ ছালৰ ৰঙৰ কথা আলোচনা কৰিছিলো। আমাৰ সকলোৰে ছালৰ ৰং বগা কিন্তু তোমাৰ ক'লা, সেই কাৰণে আমি হাঁহিছিলো-'

বীৰবলে মাত লগালে — 'মহাৰাজ আপোনালোকে মোৰ ছালৰ ৰঙৰ ৰহস্য নামানে? আকবৰে তেওঁক ৰহস্য ভেদ কৰিবলৈ দিছিল আৰু বীৰবলে ছালৰ ৰঙৰ ৰহস্যৰ কথা ক'বলৈ আৰম্ভ কৰিলে—

'বহু বছৰ আগতে ভগৱানে পৃথিৱীখন সৃষ্টি কৰিছিল আৰু গছ, চৰাই আৰু জীৱ জন্তুৰে পৃথিৱীখন পূৰ কৰিছিল। ভগৱান সন্তুষ্ট নহ'ল আৰু ধন আৰু মগজু সকলোকে দিবলৈ সিদ্ধান্ত লৈছিল আৰু নিজ সৃষ্টিৰ প্ৰতি আনন্দিত হৈছিল। তেওঁ ঘোষণা কৰিছিল প্ৰতিজন মানুহক তেওঁলোকৰ পছন্দৰ উপহাৰ গ্ৰহণ কৰিবলৈ মাত্ৰ পাচ মিনিট দিয়া হ'ব। লগে লগে মই সম্পূৰ্ণ বুদ্ধিমত্তাৰে ভৰা আৰু জ্ঞানেৰে পৰিপূৰ্ণ মগজু সংগ্ৰহ কৰিছিলো আৰু অন্য কোনো উপহাৰ সংগ্ৰহ কৰিবলৈ মোৰ সময় নাছিল। কিন্তু অন্য সকলে অকল ধন সংগ্ৰহ কৰাহে দেখা গৈছিল।'

সকলোৱে ঘটনাটো শুনি মৌন হৈ ৰ'ল কিন্তু আকবৰে বীৰবলৰ উপস্থিত বুদ্ধিৰ আৰু জ্ঞানৰ শলাগ লৈ উচ্চ হাস্য মাৰিলে।

এতিয়া আপুনি সম্পূৰ্ণ গল্পটো ছাত্ৰ-ছাত্ৰীৰ সন্মুখত বৰ্ণনা কৰি ইয়াত জীৱন কৌশল ব্যৱহাৰ কৰা হৈছে আৰু অন্য পৰিৱেশত কিদৰে জীৱন কৌশলৰ বিকাশ কৰিব পাৰি তাৰ ব্যাখ্যা আগবঢ়াব।

**উদ্দেশ্য ঃ** উক্ত গল্পৰ জৰিয়তে কৰা পাঠদানৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে তলত দিয়া কথাবোৰ শিকিব পাৰিব।

- প্ৰাথমিক জীৱন কৌশল সম্পৰ্কে শিকিব।
- অনুধাৱন কৰিব যে জীৱন কৌশল আহৰণ বৃদ্ধি কৰিব লাগে আৰু দৈনন্দিন জীৱনত ইয়াৰ প্ৰয়োগ কৰিব লাগে।

সময় ঃ 35 মিনিট

**ব্যৱহৃত জীৱন কৌশল ঃ** স্ব-সচেতনতা যুক্তিনিষ্ঠ চিন্তা, সৃজনীমূলক চিন্তা, ফলপ্ৰসূ যোগাযোগ।

**আগতীয়া প্ৰস্তুতি ঃ** সাধুকথাটো আৰু 10 টা জীৱন কৌশলৰ চৰ্ত।

**সম্পৰ্ক থকা শিকন ঃ** আপুনি সাধু কথাটোৰ লগত ৰজিতা খুৱাই অন্য গল্প, লোক সাধু, বাস্তৱ ঘটনা আদি পাঠদান প্ৰক্ৰিয়াত সংলগ্ন কৰিব পাৰে।

**পদ্ধতি ঃ** গল্প কোৱা আলোচনা, প্ৰশ্নোত্তৰ।



টোকা



**স্তৰ 1 ঃ** ছাত্ৰ-ছাত্ৰীক প্ৰথমে সম্ভাষণ জনাই ক'ব লাগিব যে ভাৰতবৰ্ষত বহুতো গল্প আছে যিবোৰৰ পৰা আমি বিভিন্ন কথা শিকিব পাৰো। আজি তোমালোকক এনে এটা গল্প ক'বলৈ ওলাইছো।

**স্তৰ 2 ঃ** গল্পটো ছাত্ৰ-ছাত্ৰীৰ সন্মুখত ভালকৈ পঢ়ি দিয়ক আৰু ভালধৰণে বুজিবলৈ দিয়ক।

**স্তৰ 3 ঃ** গল্পটোৰ পঠন শেষ হোৱাৰ পিছত তলত দিয়া প্ৰশ্নবোৰ ছাত্ৰ-ছাত্ৰীক সুধিব যাতে ছাত্ৰ-ছাত্ৰীয়ে গল্পটোৰ সাৰমৰ্ম বুজি পায়।

1. এই গল্পটোৰ পৰা তোমালোকে কি বুজি পাইছা।

2. ভগবানে কেতিয়া সকলোকে নিজৰ পছন্দৰ বস্তু সংগ্ৰহ কৰিব দিছিল? বীৰবলে কিয় মাত্ৰ মগজুহে বাচি লৈছিল।

3. ছালৰ ৰং আৰু মগজু এই দুটাৰ ভিতৰত কোনটো বেছি প্ৰয়োজনীয় আৰু কি?

**স্তৰ 4 ঃ** প্ৰশ্নোত্তৰ পিছত আপুনি ক'ব যে আমাৰ জীৱনত আমি জীৱন কৌশল ব্যৱহাৰ কৰি থাকো। আমি আমাৰ স্থানীয় বিভিন্ন গল্প, ঘটনা, বাস্তৱ ঘটনা আদিৰ পৰা জীৱন কৌশল সম্পৰ্কে বহু কথা জানিব পাৰো।

**স্তৰ 5 ঃ** ছাত্ৰ-ছাত্ৰীক এনেধৰণৰ গল্প ক'ব দিব পাৰে আৰু ইয়াৰ ওপৰত আলোচনা কৰিব পাৰে।

**ক্ৰিয়াকলাপ - 3**

এটা লোকগল্প বা বাস্তৱ ঘটনা বাচনি কৰক আৰু ওপৰত উল্লেখ কৰা ধৰণে পাঠ দান সমাপ্ত কৰি জীৱন কৌশলৰ বিকাশৰ বাবে তলত দিয়া ছাত্ৰবোৰৰ উত্তৰ সাপেক্ষে এখন প্ৰতিবেদন লিখক।

1. এই শ্ৰেণীটোত কোনটো গল্প আলোচনা কৰিছা? গল্পটো চমুকৈ লিখা।
2. এই গল্পটোত কি জীৱন কৌশল ব্যৱহাৰ কৰা হৈছে?
3. আপুনি ভবা ধৰণে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ প্ৰতি সঁহাৰি দিব পাৰিছেনে?
4. পাঠ্যক্ৰমৰ লগত এই পাঠ সংলগ্ন হৈছেনে?

## 2.5. গোটৰ সাৰাংশ ঃ

এই গোটৰ জৰিয়তে সম্প্ৰদায়ৰ ধাৰণা দিয়া হৈছে আৰু সম্প্ৰদায়ৰ গাঠনিক আৰু কাৰ্যকৰী বৈশিষ্ট্যবোৰ কেনে ধৰণৰ তাক আলোচনা কৰা হৈছে। প্ৰাথমিক শিক্ষা আৰু সৰ্বশিক্ষা অভিযানৰ প্ৰসংগ অনুযায়ী প্ৰাথমিক শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ ভূমিকা কি হ'ব সেই বিষয়ে কোৱা হৈছে। বিভিন্ন ৰাজ্যৰ কৃতকাৰ্যমূলক দৃষ্টান্ত আৰু কৌশলৰ জৰিয়তে বিদ্যালয় আৰু সম্প্ৰদায়ৰ সম্পৰ্ক কেনেদৰে সুদৃঢ় দুয়ো অনুষ্ঠানৰ মংগল সাধিব পাৰি সেই বিষয়েও আলোচনা কৰা হৈছে।

আমি জানো যে শিশুসকলৰ শিকন সম্প্ৰদায়টোত থকা সংস্কৃতি, ভাষা আৰু



টোকা

জীৱন কৌশলৰ ওপৰত নিৰ্ভৰ কৰে। শিশুৱে নিজৰ পচন্দৰ প্ৰাসংগিক শিকন ভাল পায় আনহাতে বিদ্যালয়ে পাঠ্যপুথিৰ বিষয়বস্তু শিকনৰ ওপৰত অধিক জোৰ দিয়ে। শিশুৰ শিকন অৰ্থপূৰ্ণ কৰিবলৈ স্থানীয় ভাষা, সংস্কৃতি আৰু জীৱন কৌশলৰ আলম শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াব লাগিব। ইয়াৰ বাবে স্থানীয় লোক গীত, গল্প, পৌৰাণিক সাধু, বাস্তৱ জীৱনত ঘটনা আদি শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব লাগিব। শিশুক মাতৃভাষাৰ মাধ্যমত শিক্ষা প্ৰদান কৰিবলৈ ইয়াত কোৱা হৈছে। এই গোটটোত 10 টা জীৱন কৌশলৰ আলমত জীৱন কেনেকৈ সুখৰ কৰিব পাৰি সেই কথা কোৱা হৈছে আৰু জীৱন কৌশলৰ প্ৰয়োজনীয়তাৰ কথা কোৱা হৈছে।

**শিক্ষকৰ কৰণীয় ঃ**

- স্থানীয় সংস্কৃতি, ভাষা আৰু পৰম্পৰাৰ প্ৰতি সচেতন, বন্ধুসুলভ আৰু মুক্ত মনৰ হ'ব লাগে।
- সম্প্ৰদায়ৰ উৎসৱ পাঠনত আপুনি জড়িত হওক।
- সম্প্ৰদায়ৰ দলনেতাৰ পৰা সম্প্ৰদায়ৰ উৎসৱৰ সময়ত যিমান পাৰি যিমান তথ্য সংগ্ৰহ কৰক।
- শ্ৰেণীকোঠাত স্থানীয় প্ৰাসংগিক কথা উত্থাপন কৰক।

## 2.6. স্ব-মূল্যায়ন প্ৰশ্নোত্তৰ

**স্ব-মূল্যায়ন প্ৰশ্ন - 1**

1. সম্প্ৰদায় হ'ল সমাজৰ এটা অংশ য'ত নিজস্ব সংস্কৃতি, ৰীতি নীতি, পৰম্পৰা, ভাষা আৰু বিভিন্ন জীৱন কৌশল থাকে।

সম্প্ৰদায়ক বুজাৰ কৌশল হ'ল ঃ

- আপুনি নিজকে সম্প্ৰদায়ৰ বিভিন্ন উৎসৱ পাঠনৰ লগত জড়িত কৰক।
- সম্প্ৰদায়ত থকা বিভিন্ন দলৰ বিভিন্ন বয়সত লোকৰ লগত আলোচনা কৰক।

**স্ব-মূল্যায়ন প্ৰশ্ন - 2**

1. শিক্ষাকৰ্মী সভাই দৰাচলতে শিশু, পিতৃ-মাতৃ আৰু সম্প্ৰদায়ক উৎসাহিত কৰে যাতে বিদ্যালয়খন এখন ইতিবাচক আৰু আশা কৰা ধৰণে শিক্ষাৰ স্থল হৈ উঠে।

## 2.7 পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিক পুথি ঃ

Government of India (undated) Sarva Shiksha Abhiyan- Framework for Implementation. Ministry of HRD, Department of Elementary Education and Literacy, New Delhi

Jayaram, N, (2008) School-Community Relations in India: Some Theoretical and Methodological Considerations, Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi.



টোকা

Gaysu R. Arvind(2008) Locating Community in School Education: Emerging Perspectives and Practices to Empowered Participatory Governance, Paper presented at National Seminar on Community and School Linkages: Principles and Practices (March 17-19, 2008), NUEPA, New Delhi.

K.B. Everard, Geoff Morris, Ian Wilson, Effective School Management: 2004, London

D.B. Rao, The School and Community Relations: 2004, Discovery Publishing House Pvt. Ltd., New Delhi

## 2.8 গোটৰ শেষৰ অনুশীলন

(1) সম্প্ৰদায় আৰু বিদ্যালয়ৰ মাজত আন্তঃ সম্পৰ্ক বিদ্যমান। বৰ্ণনা কৰক।

(2) ভাষা আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ ভূমিকা কি? বিদ্যালয় আৰু সমাজৰ লগত ইয়াৰ সম্পৰ্ক কি ব্যাখ্যা কৰক।

****